# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baā̃hai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: Old. 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

| বিষয় | পৃষ্ঠা |
|---|---|
| সংখ্যা দেকৰ চৰ্চা | ২২৫ |
| আপোন মুখ | ২৩১ |
| হিন্দুধৰ্মৰ আদি শাস্ত্ৰ কি ? | ২৩৫ |
| সৃষ্টিৰ পাতনি আৰু তাৰ ক্ৰমবিকাশ | ২৩৮ |
| সোঁৱৰণ | ২৪৯ |
| জুৰুলী | ২৫৭ |
| গোটেই দেশৰ বাতৰি | ২৬০ |
| 'বেলি- মাৰ' | ২৬৫ |
| চিন্তাৰ ঢৌ | ২৭০ |
| আমোৰ হাজাৰ ঘৰ-সংসাৰ | ২৭৪ |
| গদ্য- কবিতা | ২৭৬ |
| অৰুণ | ২৮০ |

পৌনিক ঘটনাৱলীচয়ই নে ?” এই এটাইবোৰ প্ৰশ্ন মানুহৰ মনত একে নিমিষত উপজিব পাৰে কিন্তু উত্তৰ দিবলৈ হলে বৰ সহজ নহয়।

আমি এতিয়া এই আকাশমণ্ডলত শিশু জগৎ বিচাৰি পাওঁ নে চাওঁ আহক। যেতিয়া আমি দূৰবীক্ষণ যন্ত্ৰেৰে আকাশমণ্ডল পুঙ্খানুপুঙ্খৰূপে পৰীক্ষা কৰোঁ। তেতিয়া নক্ষত্ৰপুঞ্জৰ বাহিৰেও আৰু এক ৰকম পদাৰ্থ দেখিবলৈ পাওঁ। ইহঁতক কোনো তৰাৰ নিচিনা উজ্জ্বল বিন্দুৰ নিচিনা নেদেখি। কিন্তু তাতকৈ বহু দেশব্যাপী জ্যোতিপূৰ্ণ কুৰ্লীৰ নিচিনা দেখি। এই কুৰ্লীবোৰ বৈজ্ঞানিকসকলে বিশেষৰূপে পৰীক্ষা কৰি চাইছে। ইহঁতৰ আকৃতি বহুত ধৰণৰ, আৰু ইহঁতৰ মাজত সাধাৰণ তৰাও প্ৰোথিত হৈ থকা দেখা যায়। ইহঁতৰ পদাৰ্থ কি অৱস্থাত আছে, আলোক-বিশ্লেষণ যন্ত্ৰেৰে পৰীক্ষা কৰি দেখা গৈছে যে ইহঁত বাস্তৱিকতে কুৰ্লীৰ নিচিনা বাষ্পময়। সেয়ে জানিবা পানীৰ বাষ্প নহয়। জলজান বাষ্প (Hydrogen) আৰু যৱক্ষাৰ-জান বাষ্প (Nytrogen) আদিৰ সমষ্টি যেন দেখা যায়। ইহঁতক দেখিলে বোধ হয় যেন ইহঁত বিশেষ ধৰণৰ গতিবিশিষ্ট। যেন এটা আৱৰ্ত্তন হব লাগিছে, অৰ্থাৎ ঠিক যেন এটা চাকনৈয়াত পানী ঘুৰিব লাগিছে। ইহঁত গোলাকৃতি নহয়, কিন্তু কিছুদূৰ কাঁহীৰ নিচিনা চেপেটা। যদি এই বাষ্পবিলাক বাস্তৱিকতে চাকনৈয়াত ঘুৰিব লাগিছে ই চেপেটা হোৱা স্বাভাৱিক। ইহঁত যে চেপেটা আমি ইয়াৰপৰা বুজিব পাৰোঁ। যে ইহঁতক দেখিবলৈ কোনো কোনোটো চক্ৰাকৃতি, আৰু কোনো কোনোটো বৃত্তাভাস (Elliptical) আকৃতি, অৰ্থাৎ ডিম্বাকৃতি।—কাঁহীৰ নিচিনা চেপেটা বস্তুবোৰ বেকাভাৱে চালে ডিম্বাকৃতি আৰু পোনভাৱে চালে চক্ৰাকৃতি দেখা যায়।

কোনো কোনো বাষ্পসমূহৰ মাজ ডোখৰ বাষ্পময় উজ্জ্বল গোলক যেন দেখি, আৰু ইয়াকে বেঢ়ি বাষ্পৰে আঙঠি এটা থকা যেন দেখি। শনি গ্ৰহটো গোটা গুচি বাষ্পীয় হোৱা হলে সম্ভৱতঃ এই দৰৰ হলহেতেন। কোনো কোনো বাষ্পসমূহ আকৌ কুণ্ডলীকৃত অৱস্থাত থকা দেখা যায়,—ঠিক যেন ধূমকেতুৰ নেজডাল সাপৰ নিচিনা মেৰ খাই আছে। বাষ্পবিলাক আৱৰ্ত্তনবিশিষ্ট নহলে এইদৰে থাকিবৰ কোনো কাৰণ নাই। আৰু এটা কথা, বহুত বাষ্পপিণ্ডৰ মাজডোখৰ বেছি উজ্জ্বল দেখি। ইয়াৰপৰা আমি বুজিব পাৰোঁ যে মাজডোখৰ চাৰিওপিনৰ বাষ্পতকৈ ঘন। মধ্যাকৰ্ষণৰ গুণত ভাপবোৰ ক্ৰমান্বয়ে ঘন হৈ অহা স্বাভাৱিক। এই ক্ৰমান্বয়ে ঘন হৈ অহাটো এটা ভাবী নক্ষত্ৰৰ পূৰ্ব্বলক্ষণ। এই ভাপবোৰকে আমি নীহাৰিকা বোলোঁ।

শ্ৰীলক্ষ্মীনাথ দাস।



# সম্পাদকৰ চৰা।

## মধুৰ ঈশ্বৰ শ্ৰীকৃষ্ণ।

ভগৱন্তৰ ঐশ্বৰ্য্য আৰু মাধুৰ্য্য এই দুই ভাব উপলব্ধি কৰিবৰ উপায়—জ্ঞান আৰু ভক্তি। জ্ঞানেৰে তেওঁৰ ঐশ্বৰ্য্য-ভাব উপলব্ধি কৰিব পাৰি, ভক্তিৰে তেওঁৰ মাধুৰ্য্য-ভাব উপলব্ধি কৰিব পাৰি। জ্ঞান মানে যাক আমি চলিত জ্ঞান বা বিজ্ঞান বুজোহঁক, অৰ্থাৎ বস্তু আৰু বিষয় জ্ঞান, সি নহয়; জ্ঞান মানে তত্ত্বজ্ঞান, জীৱ আৰু ব্ৰহ্মৰ ঐক্য জ্ঞান। প্ৰচলিত জ্ঞানে অধিকাংশ স্থলত অহঙ্কাৰ আৰু মিছা অভিমান হে বঢ়ায়, কিন্তু তত্ত্বজ্ঞানে অহঙ্কাৰ বিলোপ কৰে। ভগৱন্ত সৎ চিৎ আনন্দময় অনাদি অব্যয় অখণ্ড। “যতো বা ইমানি ভূতানি জায়ন্তে। যেন জাতানি জীৱন্তি। যৎ প্ৰয়ন্ত্যভিসংবিশন্তি।” অৰ্থাৎ যি ভগৱন্তৰপৰা এই ভূতসকল উৎপন্ন হয়, উৎপন্ন হৈ যাৰ দ্বাৰাই জীৱিত থাকে, আৰু পিছত যাতে প্ৰৱেশ কৰে। শ্ৰীমদ্ভাগৱতৰ প্ৰথম শ্লোকতে যাৰ কথা কৈছে “জন্মাদ্যস্য যতোঃ” ইত্যাদি। এনে ভগৱন্তসত্তাৰ অনুভৱ কৰায় যি জ্ঞানে সেয়ে তত্ত্বজ্ঞান। এই জ্ঞানে ভগৱন্ত সৎ, আৰু আন সকলোবোৰ অসৎ মায়িক আৰু বিনশ্বৰ, এই অনুভূতি কৰায়। এই তত্ত্বজ্ঞানে অজ্ঞানীৰ ভেদ আৰু বহুক জ্ঞানীৰ চকুত এক মাথোন দেখুৱায়, আৰু জীৱাত্মা আৰু পৰমাত্মাৰ একত্বৰ অনুভূতি জন্মায়। অন্নময়, প্ৰাণময়, জ্ঞানময়, বিজ্ঞানময় আৰু আনন্দময় এই পঞ্চকোষৰ আৱৰণেৰে আবৃত জীৱাত্মা সকলো প্ৰকাৰ উপাধি-ৰহিত পৰমাত্মাৰপৰা যে অভিন্ন এই বিবেকবুদ্ধি এই তত্ত্বজ্ঞানে দিয়ে।

“যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ,
হৰিত পৃথক কোনো নহে।”

“তুমি পৰমাত্মা জগতৰ ঈশ এক।

একো বস্তু নাহিক তোমাত ব্যতিৰেক।
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণ কুণ্ডলে যেন নাহিক অন্তৰ॥
তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন ভিন।

* * *

তুমি সে কেৱলে সত্য মিছা সবে আন।"—শঙ্কৰদেৱ।

এই তত্ত্বজ্ঞান লাভ কৰি বদ্ধ জীৱই শুদ্ধ বুদ্ধ নিৰ্ম্মল নিৰ্গুণ মুক্তাত্মা ভগৱন্তৰ সাযুজ্য লাভৰ অধিকাৰী হৈ তেওঁৰ ঐশ্বৰ্য্যৰ প্ৰত্যক্ষ উপলব্ধি কৰে। এইজ্ঞানৰ বিষয়ে শ্ৰীমদ্ভগৱৎ গীতাই কৈছে—

"নাহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।
তৎ স্বয়ং যোগসংসিদ্ধঃ কালেনাত্মনি বিন্দতি।
শ্ৰদ্ধাবান্ লভতে জ্ঞানং তৎপৰঃ সংযতেন্দ্ৰিয়ঃ।
জ্ঞানং লব্ধা পৰাংশান্তিমচিৰেণাধিগচ্ছতি॥"

ভগৱন্ত যে আনন্দং।—"আনন্দদ্ধ্যেৱ খল্বিমানি ভূতানি জায়ন্তে। আনন্দেন জাতানি জীৱন্তি। আনন্দং প্ৰয়ন্ত্যভিসংবিশন্তি। আনন্দং ব্ৰহ্মণো বিদ্বান্। ৰসোবৈসঃ। ৰসং হ্যেৱায়ং লব্ধানন্দীভৱতি।" অৰ্থাৎ আনন্দস্বৰূপ পৰব্ৰহ্মৰপৰা এই ভূতসকল উৎপন্ন হৈ আনন্দস্বৰূপ ব্ৰহ্মৰ দ্বাৰাই জীৱিত থাকে, প্ৰলয় কালত আনন্দস্বৰূপ ব্ৰহ্মত প্ৰৱেশ কৰে। সেই পৰমাত্মা ৰসস্বৰূপ। সেই ৰসস্বৰূপ পৰব্ৰহ্মক পাই জীৱ আনন্দিত হয়।

আনন্দময় মধুৰ ভগৱন্তৰ মাধুৰ্য্য উপলব্ধি কৰা যায় ভক্তিৰে। তেজোময় মধ্যাহ্ন সূৰ্য্যৰ ফালে চাব নোৱাৰি; চাই তেওঁৰ ৰূপ আমাৰ চকুৰ আয়ত্বলৈ আনিব নোৱাৰি। কিন্তু এডোখৰ কাঁচ যদি চাকি এটাৰ শিখাত অলপমান ধৰি কাচডোখৰত ছাই পেলাই লোৱা যায়, আৰু সেই ছাই পৰা কাঁচডোখৰ সূৰ্য্যৰ ফালে ধৰি তাৰ ভিতৰেদি যদি সূৰ্য্যক চোৱা যায়, তেন্তে তেতিয়াই সূৰ্য্যৰ ৰূপ আমি ভালকৈ দেখিবলৈ পাওঁ। সেই দৰে ভক্তিৰূপ কাঁচেৰেও অচিন্ত্য অজ্ঞেয় ঈশ্বৰক আমি আমাৰ মনৰ পটলৈ আনি তেওঁক পাব পাৰোঁ, উপলব্ধি কৰিব পাৰোঁ। ঈশ্বৰত অতিৰিক্ত



অনুৰক্তিৰ নামেই ভক্তি। মনৰ যি অৱস্থাত ঈশ্বৰক নিজৰ জন যেন বোধ হয়, সেই অৱস্থাৰ নামেই ভক্তি। ভজনীয়জনৰ চিন্তাত ভক্তৰ শৰীৰ ৰোমাঞ্চ, চিত্ত দ্ৰৱ হয়, চকুত আনন্দলোতক বয়, বাক্য গদগদ হয়। তন্ময় তদ্গত ভক্তই কেতিয়াবা কেতিয়াবা, লোকে কি কব কি বুলিব বা হাঁহিব সেই লাজ কাতিকৈ থৈ ভজনীয়জনৰ গুণ বৰ্ণাই গীত গায়, নাচে, হাঁহে কান্দে। ভক্ত প্ৰহ্লাদৰ ভক্তিৰ লক্ষণ এনেকুৱাই আছিল। তেওঁ—"সদায় কৃষ্ণৰ গুণ কহে। চিত্তত ধৰিলে কৃষ্ণ গ্ৰাহে॥ নেৰে মন গোবিন্দৰ পাৱ। কৃষ্ণত ওপজে প্ৰেম ভাৱ॥ কৃষ্ণক চিন্তন্তে দ্ৰৱে মন। কেহো বেলা কৰন্ত ক্ৰন্দন। কেহো বেলা হাসন্ত আহ্লাদে। কতো গুণ গাৱন্ত প্ৰহ্লাদে॥ গোবিন্দক আনন্দে ডাকন্ত। লাজ এৰি কতোহো নাচন্ত॥ হৰি বুদ্ধি হোৱে আপোনাক। কতো কৰে কৃষ্ণৰ চেষ্টাক॥ আনন্দে লোতক যায় বহি। নামাতি থাকন্ত কতো ৰহি॥ হৰিষতে তনু ৰোমাঞ্চিত। কৃষ্ণত অৰ্পিল প্ৰাণচিত্ত॥ এহিমতে কৰন্ত ভকতি। আন বিষয়ত নাহি মতি॥"—কীৰ্ত্তন। প্ৰহ্লাদৰ নাতি বলিৰো দৃঢ় ভক্তিৰ লক্ষণ এনেকুৱা—"প্ৰহ্লাদে শিখান্ত গাৱে গোবিন্দৰ গীত। পৰম আনন্দে দৈত্যপতি কৰে নৃত্য॥ গোবিন্দক দেখিয়া আনন্দে দ্ৰৱে চিত্ত। হৰিষে লোতক ঝৰে তনু লোমাঞ্চিত। হোন্ত নিশবদ গদ গদ কৰে মাত। প্ৰেম ভাৱ উপজি পৰন্ত ঢাট টাট॥ ভকতৰ বশ্য হৰি আকলিয়া বলি। কতো অতি হৰিষে হাসন্ত খলখলি॥ কতো হুকহুকী কৰি কৰন্ত ক্ৰন্দন। কতো গীত গান্ত বিৰোচনৰ নন্দন॥ কতো হৰি বুলি গেগিয়ান্ত ইন্দ্ৰসেন। উঠি উঠি পৰন্ত নাচন্ত বাউল যেন॥ কতো মৌন হুয়া পৃথিৱীত পৰি থাকে।"—কীৰ্ত্তন। বৃন্দাবনত কৃষ্ণবিৰহিনী গোপীসকলৰো কৃষ্ণানুৰক্তি ভক্তিত এই লক্ষণ পৰিস্ফুট। এইবোৰ বৰ্ণনা কাল্পনিক বা অতিৰঞ্জিত নহয়। চৈতন্যদেৱে তেওঁৰ জীৱনত ইয়াৰ প্ৰচুৰ প্ৰমাণ দি গৈছে। আজিও মাজেসময়ে এনে ভক্ত দুই চাৰিজন লগ পোৱা যায়, যাৰ জীৱনত এনে অহেতুকী একান্ত ভক্তিৰ লক্ষণ দেখিবলৈ পোৱা যায়। হৃষীকেশ ভগৱন্তৰ সেৱাত ভক্তই তেওঁৰ সকলো ইন্দ্ৰিয় বৃত্তি নিয়োগ কৰে। ভগৱন্তক হৃষীকেশ বোলে, কাৰণ তেওঁ হৃষীকৰ অৰ্থাৎ ইন্দ্ৰিয়সমূহৰ

ঈশ্বৰ। ইন্দ্ৰিয় তেওঁতহে পূৰ্ণৰূপে পৰিতৃপ্ত হয়। ঈশ্বৰ ইন্দ্ৰিয়বৰ্গত অনুপ্ৰবিষ্ট হৈ আছে, সেই ইন্দ্ৰিয়বোৰৰ কাৰ্য্য ঈশ্বৰত সমৰ্পিত নহলে সেইবোৰৰ চৰিতাৰ্থতা কত ?

"ইন্দ্ৰিয় বৰ্গত যিহেতু ঈশ্বৰ
আছন্ত হয়া প্ৰবেশ।
এতেকে মহন্ত সকলে বোলয়
ঈশ্বৰক হৃষীকেশ॥"—ঘোষা।

সেইদেখি ভক্তই কৈছে—

নকৰিলোঁ শিৰে মাধৱক নমস্কাৰ।
ইটো গাথাগোট মোৰ ভৈল মহাভাৰ॥
কৰ্ণ দুই আছে, নুশুনিলোঁ হৰি কথা।
দুগোটা গৰ্ত্তৰ ভাৱ বহিলোহোঁ বৃথা।
জিহ্বা মোৰ আছন্তে নলৈলোঁ ৰামনাম।
দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম।
নেদেখিলোঁ নয়নে প্ৰভুৰ যেন ৰূপ।
সমাকে জানিলোঁ দুয়ো আখি অন্ধকূপ॥
যেন চিত্ৰ বিচিত্ৰ মৈৰাৰ ভাসে পাখি।
হৰিৰূপ নেদেখিলোঁ পাইলোঁ তেন আখি।
হৰিপদ তুলসীৰ নৈললোঁহোঁ ঘ্ৰাণ।
জীৱন্তে মৰিলোঁ নাসা ভাটিৰ সমান।
পিন্ধিলোহোঁ বাহুত অনেক অলঙ্কাৰ।
প্ৰভুৰ পূজাক নকৰিলোঁ একবাৰ।
কৃষ্ণ কৃত্য নকৰিলোঁ ভৈলোহোঁ বৰ্ব্বৰ।
ইটো হস্ত বাহ মিছা মৃতক শবৰ॥
পাব দুই আছন্তে নগৈলোঁ ক্ষেত্ৰস্থান।
মোৰ পাব ভৈল বৃক্ষ শিপাৰ সমান॥—কীৰ্ত্তন।

যি ভক্তিৰ সহায়েৰে ঈশ্বৰৰ মাধুৰ্য্যভাব উপলব্ধি কৰা যায় সেই ভক্তি শ্ৰীমদ্ভাগৱতে ৯ বিধত ভাগ কৰিছে,—



"শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ।"—শঙ্কৰদেৱ।

এই ন বিধ ভক্তিৰ ভিতৰত আমাৰ মহাপুৰুষ বিচক্ষণ শ্ৰীশঙ্কৰদেৱে, এই কালৰ উপযোগী জানি শ্ৰৱণ কীৰ্ত্তন এই দুবিধ ভক্তিত বেছি প্ৰাধান্য দি প্ৰচাৰ কৰিলে আৰু তেওঁৰে মতাৱলম্বী মহাপুৰুষ মাধৱদেৱ আৰু দামোদৰ দেৱে তেওঁলোকৰ শিষ্য প্ৰশিষ্যসকলৰ ভিতৰত সৰ্ব্বতোভাৱে এই দুই বিধ ভক্তিকে ব্যাপ্ত কৰিলে। বহ্মাৱলী শাস্ত্ৰতো শ্ৰীমদ্ভাগৱতৰপৰা সাৰ কাঢ়ি বিষ্ণুপুৰী সন্ন্যাসীয়ে এই ন বিধ ভক্তিমূলক শ্লোকবোৰ সন্নিবেশিত কৰি তেওঁৰ সেই গ্ৰন্থ ৰচনা কৰিলে, মহাপুৰুষ শ্ৰীমাধৱদেৱে শ্ৰীশঙ্কৰদেৱৰ আজ্ঞামতে তাৰ সুমধুৰ ভাঙনি কৰি শ্ৰৱণ কীৰ্ত্তন এই দুইবিধ ভক্তিৰ শ্ৰেষ্ঠতা আন কেইবিধতকৈ দেখুৱাই তাক সৰ্ব্বসাধাৰণৰ মাজত প্ৰচাৰ কৰিলে। চৈতন্যদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মত ভক্তিৰ পাঁচোটি স্তৰ দেখা যায়।—শান্ত, দাস্য, সখ্য, বাৎসল্য আৰু কান্তভাব। শান্তভাব সাধাৰণ ভক্তৰ ভক্তি। হৃদয় যেতিয়া ভগৱন্তৰ ফালে আকৃষ্ট হয় তেতিয়া এই ভাবৰ ভক্তি প্ৰকাশিত হয়। প্ৰভুৰ চৰণত দাসৰ যি সম্পূৰ্ণ নিৰ্ভৰ সম্পূৰ্ণ আত্মসমৰ্পণ সেই ভাবক দাস্য ভাব বোলে। আমাৰ শঙ্কৰ মাধৱৰ এই দাস্য ভাব তেওঁলোকৰ গ্ৰন্থৰ প্ৰত্যেক ভণিতাত জ্বলন্ত। ভগৱন্তক সখা বুলি ভাবি প্ৰীতি কৰি অতি ঘনিষ্ঠতা কৰাত সখ্যভাব প্ৰকাশিত হয়। এজন true and sincere friend-এ আন এজন true and sincere friend-অৰ প্ৰতি যেনে ভাব মনত পোষণ কৰে, ই তেনে ভাব। এই ভাবে অৰ্জ্জুনে শ্ৰীকৃষ্ণক ভজনা কৰিছিল। বাৎসল্য ভাব প্ৰীতিৰে দৈতে মৰমৰ সানমিহলি ভাব। এই ভাবত ভগৱন্ত প্ৰাণতকৈও প্ৰিয়তৰ আৰু স্নেহৰ বস্তু হয়। মাক আৰু সন্তানৰ ভিতৰত এই ভাবৰ পূৰ্ণ বিকাশ। নন্দ যশোদাই এই ভাবেৰে গোপাল কৃষ্ণক ভজনা কৰিছিল। সকলোৰে অন্তত কান্তভাব। এই ভাবত প্ৰণয়ী প্ৰণয়িণীৰ, স্বামী স্ত্ৰীৰ প্ৰেমৰ পূৰ্ণতা। এই ভাবত প্ৰেমিকাই প্ৰেমিকৰ প্ৰেমত তন্ময়তা লাভ কৰে। গোকুলৰ

গোপিনীসকলে কৃষ্ণক এই ভাবেৰে ভজনা কৰিছিল। শ্ৰীচৈতন্যই তেওঁৰ ধৰ্ম্মজীৱনত এই ভাবক শ্ৰেষ্ঠতা প্ৰদান কৰিছিল। ৰাধাই শ্ৰীকৃষ্ণৰ প্ৰেম আস্বাদন কৰি যি সুখত নিমজ্জিত হৈছিল, প্ৰেমৰ সেই সুখ আস্বাদন অভিলাষী হৈছিল সন্যাসী শ্ৰীচৈতন্যদেৱ। তেওঁ যদিও শ্ৰৱণ কীৰ্ত্তন ভক্তি-প্ৰচাৰ কৰিছিল, তথাপি তেওঁৰ নিজা ব্যৱহাৰ আৰু কাৰ্য্যৰ দ্বাৰাই এই কান্ত ভাবক হে প্ৰাধান্য দিছিল। এই ভাব সৰ্ব্বোৎকৃষ্ট হব পাৰে, এইভাবে ঈশ্বৰেৰে সৈতে ভকতক ঘনিষ্টতকৈও ঘনিষ্ট কৰিব পাৰে. কিন্তু তথাপি দেশকাল পাত্ৰ সকলো হিচাপ কৰি চালে, এই ভাব দোষৰপৰা বিযুক্ত হৈ থাকিব পৰা নহয়। চৈতন্যদেৱৰ নিচিনা মহৎ ব্যক্তিৰ হাতত এইভাব পূৰ্ণ বিকাশ লাভ কৰি দোষমুক্ত হৈ থাকিব পাৰে, কিন্তু তেওঁতকৈ কম ক্ষমতাশালী সকলৰ হাতত সি অচিৰে দোষযুক্ত হবই হব; আৰু কাৰ্য্যত চৈতন্যদেৱৰ পিছত সেয়ে হলও। শঙ্কৰদেৱৰ বিচক্ষণ বুদ্ধিয়ে এই কথা ফটফটীয়াকৈ ঢুকি পাইছিল, সেইদেখি তেওঁ এই ভাবক সম্পূৰ্ণৰূপে সন্মান কৰিও তাক নিজৰ জীৱনত গ্ৰহণ কৰা নাছিল আৰু শিষ্য প্ৰশিষ্যসকলৰ নিমিত্তেও সেই ব্যৱস্থা নিদিছিল। শঙ্কৰদেৱে অকল নিজৰ ক্ষমতাৰে লোকক জুখি নিজৰ ক্ষমতাৰ উপযুক্ত বোজা লোকৰ কান্ধত দিয়া ব্যৱস্থা কেতিয়াও নকৰিছিল, কাৰণ তেওঁ বিচক্ষণ আৰু পৰহিতকাৰী কৃপালু মহাপুৰুষ আছিল। অধিকাৰী আৰু অনধিকাৰী ভেদ বুলি যে এটা প্ৰগাঢ় শিক্ষা হিন্দুশাস্ত্ৰত বেদ উপনিষদৰ কালৰপৰা নিহিত আছে আৰু যি মহৎ শিক্ষা হিন্দুধৰ্ম্মানুশীলনৰ প্ৰাণ, সেইটো শ্ৰীশঙ্কৰদেৱে ভালকৈ বুজিছিল; আৰু তেওঁ ভালকৈ বুজিছিল যে "example is better than precept" অৰ্থাৎ মুখৰ শিকনিতকৈ আৰ্হিৰে শিকনি ভাল। সেইদেখি তেওঁ সৰ্ব্বসাধাৰণে যিবিধ ধৰ্ম্মজীৱন আৰু আশ্ৰয় কৰি সংসাৰত চলিব পাৰিব, তাকেহে নিজৰ জীৱনত অৱলম্বন কৰি তাৰ উৎকৰ্ষ আৰ্হি দেখুৱাইছিল। আসামৰ শঙ্কৰদেৱ প্ৰচাৰিত বৈষ্ণৱধৰ্ম্ম আৰু বঙ্গদেশৰ চৈতন্য দেৱৰ প্ৰচাৰিত বৈষ্ণৱধৰ্ম্মৰ পাৰ্থক্য এই খিনিতে। দূৰদৰ্শী শঙ্কৰদেৱ অকল ধৰ্ম্ম প্ৰচাৰকেই নাছিল, তেওঁ বৈষ্ণৱধৰ্ম্মক কেন্দ্ৰ কৰি অসমীয়া জাতি, সমাজ, ৰীতিনীতি, আচাৰ ব্যৱহাৰ, শিক্ষা, ইত্যাদি সকলো সুমাৰ্জ্জিত আৰু



সুগঠিত কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱৰ এই ধৰ্ম্মৰ প্ৰধান প্ৰধান লক্ষণ আসামত কি দামোদৰীয়া, কি হৰিদেৱী পন্থীয়া, কি আন কোনো পন্থীয়া ধৰ্ম্মত জল্ জল্ পট্ পট্, কিন্তু চৈতন্য দেৱৰ প্ৰচাৰিত ধৰ্ম্মৰ লক্ষণৰ অভাৱ ; —তেহেলৈ শঙ্কৰ-বিমুখীসকলে মুখেৰে যিহকে কওক। আমি আগেয়ে আৰু অনেক প্ৰমাণেৰে আমাৰ কথা সবল অনেকবাৰ কৰি আহিছোঁ, আৰু আগলৈকো, আৱশ্যক হলে, কৰিবলৈ সাজু আছোঁ। আসামৰ ব্ৰাহ্মণ ধৰ্ম্মপ্ৰচাৰকসকলে যিমানকে নিজক শঙ্কৰদেৱৰ প্ৰভাৱৰপৰা বিযুক্ত বুলি দেখুৱাবলৈ চেষ্টা কৰক, তেওঁলোক কেতিয়াও কেতিয়াও তাত কৃতকাৰ্য্য নহয় নহয় নহয়, এইটো আমাৰ দৃঢ়বিশ্বাস। কৃতকাৰ্য্য হোৱাটো তো দূৰৰ কথা অসম্ভৱেই। অৱশ্যে পুৰণিকালৰ ব্ৰাহ্মণসকলেও কোনো কোনোটো অসম্ভৱ কাৰ্য্য সম্পাদন কৰিছে বুলি "দাবি" কৰা যে নাছিল, এনে নহয় ; সেইবুলি তেওঁলোকৰ পুত্ৰ নাতি কোনো কোনোৱেও এই কলিকালতো তেনে "দাবি" কৰিলে যে সি ৰজিব এনেও নহয়। কৰিলে আজিকালি সকলো কথাৰ আগ-গুৰি পোৱা সৰ্ব্বসাধাৰণে তো আৰু বিশ্বাস নকৰে। বঙ্গদেশৰ কবি দ্বিজেন্দ্ৰলাল ৰায়ে এটা গান বান্ধিছিল, তাৰ প্ৰথম দুফাকি এই :—

"ব্ৰাহ্মণ বলে নোয়ায় না মাথা কে আছে এমন হিন্দু ?
আমাদেরই এক পূৰ্ব্বপুৰুষ গিলে ফেলেছিল সিন্ধু ॥"

এতিয়া কিন্তু কলিকাল ; এতেকে কোনো কোনো ব্ৰাহ্মণে তেওঁলোকৰ পূৰ্ব্বপুৰুষ অগস্ত্যৰ দৰে শঙ্কৰ-সিন্ধু গিলিবৰ চেষ্টা বা অভিলাষ কৰিলেও কত পৰিব হবলা।

---

# আপোন সুৰ।

এই যে ৰচিলোঁ গান সকলো মিছাই,
বীণাত আপোন সুৰ বাজি উঠা নাই।
ৰচিলোঁ কতনা শোক পুলকৰ কথা,
ঢালিলোঁ চৰণে, মোৰ প্ৰাণৰ দেৱতা।

বসন্তৰ সন্ধিয়াত পুষ্পিতা ধৰণী,
বননিত কলকণ্ঠে বিহঙ্গৰ ধ্বনি,
শেৱালীৰ গন্ধে ভৰা শৰত পুৱাত,
ফাগুনৰ জ্যোতিহীন পুৰতী নিশাত,
হিয়াত উঠিল বাজি শতমুখী তান,
আনন্দ বিষাদ গঁথা মিলনৰ গান।
তেওঁচোন কাৰ হস্তে হৃদয় আতুৰ
নেপাওঁ বিচাৰি ক'তো আপোনাৰ সুৰ।
আকাশত সপ্ত ঋষি সপ্তদ্বীপ লই
সন্ধ্যাৰ আৰতি ধৰে মন্দিৰত গই,
মই চাওঁ একেথিৰে এনেনে কি মোৰ
নীৰৱে কোণত বজা সঙ্গীতৰ সুৰ?
এনেনে কি হেৰা মোৰ দেৱতা প্ৰাণৰ,
তোমাৰ চৰণ সেৱা জীৱনৰ বৰ?
হৃদয়ৰ মন্দিৰত সঙ্গীত ৰচনা,
তৰ্কহীন অকুটিল ভক্তিৰ থাপনা?
কিম্বা হায় অতীতৰ সুখ সোঁৱৰণি
সেয়ে কি গানৰ মোৰ নীৰৱ ৰাগিনী?
পাতৰ আৰত ফুল আছিল লুকাই
প্ৰকৃতিৰ শান্তিময় হৃদয় জুৰাই,
উথলিল আচম্বিতে জেউতি মাধুৰী,
ব্ৰহ্মাণ্ডত কোনে তাৰ বিলালে বাতৰি?
শূন্যৰ বথত চৰি আহিল কটকী,
প্ৰণয়ৰ নিকুঞ্জৰ উৰণীয়া পখী,
দুদিনৰ লীলা অন্তে কেনি গুচি যায়,
আজলী কুসুম পাহী নীৰৱে বিলায়!
সুদূৰ প্ৰান্তত সউ জ্বলে একাবেকা,
স্বৰ্গ আৰু মৰতৰ মিলনৰ ৰেখা,



জোনাক নামিছে সুপ্ত জলধিৰ গাত,
শুনা এটি আবেগৰ চুম্বনৰ মাত।
বুকুত জিলিকে চোৰা তৰঙ্গৰ মালা,
সঘনে কঁপিছে কেনে হৃদয় উতলা,
ওপৰত তাৰকাৰ মিলন সঙ্গীত,
জগতত পৰাণীৰ উত্ৰাৱল চিত,
হৃদয় তলিত জ্বলে অগ্নিময় কণা,
সৃজনৰ প্ৰতি কোণে দুৰন্ত বাসনা।

প্ৰেম যে মস্তক-মণি সাধনাৰ ধন,
জীৱন শোকৰ লীলা, অবিশ্ৰান্ত ৰণ,
মৰণৰ অনিৰ্ব্বাণ মহিমাৰ শিখা,
তাৰ মাজে পুলকৰ মায়া-মৰীচিকা।
কত ছাঁয়া আহে আৰু কত ছাঁয়া যায়,
প্ৰেম কিন্তু ধ্ৰুবজ্যোতি আদি অন্ত নাই।
প্ৰকৃতিৰ হাতে গঢ়া প্ৰণয় কানন
এই যে ব্ৰহ্মাণ্ডখনি অপূৰ্ব্ব সৃজন,
তাৰে একোণত মই বান্ধিমনে ঘৰ
প্ৰেমকাব্য নিকুঞ্জৰ হই মালাকৰ?
আৰু যে কতনা আছে বিচিত্ৰ কাহিনী,
অসীমৰ মহামন্ত্ৰ বাজে ৰিণি ৰিণি।
সম্মুখত গৰজিছে ভীষণ সাগৰ,
জীৱন-তৰঙ্গ এটি অনন্ত-বুকৰ,
ক'ৰবাৰ এধাফুটা সঙ্গীতৰ ধ্বনি,
কিম্বা পূৰ্ব্ব জনমৰ মৃদু সোঁৱৰণি।
এই যে আতমাকণি হিয়াৰ কোণত
জনম মৰণ তাৰ কোন সীমান্তত?
সৌৰ জগতৰ ৰূপ বিস্ময়েৰে ভৰা,
ক'ত তাৰ যোগনীয়া জ্যোতিৰ নিজৰা?

—বাজিছে অনন্তকাল সৃজনৰ সুৰ,
বিধাতাৰ মহাবাণী বিচিত্ৰ মধুৰ।
আৰু যে এখনি আছে অন্তৰ জগত,
প্ৰতিদ্বন্দ্বী বাসনাৰ সংগ্ৰামৰ পট,
আদৰ্শৰ গ্ৰহ কেন্দ্ৰ ঘূৰিছে নিতউ,
আজিৰ সিদ্ধান্ত কালি বিতণ্ডা আকউ,
কোন মই ? তুমি ক'ৰ ? তৰ্ক চিৰদিন,
—নিজৰ অস্তিত্ব সিও সন্দেহত লীন।
এই যে ৰচিছে মায়া সৃজন-প্ৰলয়,
ক'ত সেই আদি শক্তি ভূমানন্দ ময় ?
ন্যায় বা মীমাংসা সিও দিঠক সপোন,
বেদান্তৰ সিদ্ধান্ততো অবিন্তা মাথোন।
সাধ্য কি মানবে পায় ৰহস্যৰ জ্ঞান ?
যিমান ভাবিবা শঙ্কা বাঢ়িব তিমান।
জীৱন সঙ্গীতময়, সৃষ্টি বিতোপন,
অমৃতৰ ৰহঘৰা, সুৰলা শাসন।
কবিৰ ধাউতি,—ধৰা সৌন্দৰ্য্যৰ থল
তাত যেন ফুলি উঠি প্ৰেম শতদল।
প্ৰকৃতিত বাজে মহা উদ্দেশ্যৰ সুৰ,
তাৰ হস্তে হিয়া মোৰ উতলা আতুৰ।
বিশ্বৰ সইতে য'ত ভাবৰ বন্ধন
সেয়ে মোৰ জীৱনৰ ধৰ্ম্ম সনাতন,
সত্য যি সুন্দৰ, যাৰ অনন্ত যৌৱন,
তাৰেই বুকুত মই পাতিম কানন,
হৃদয়ৰ বাসনাৰ বসন্ত সমীৰ
বীণাৰ মৃদুল তন্ত্ৰী কৰিব অধীৰ।
কবিৰ পুলক বাণী দেৱতাৰ ৰৰ,
আবেগৰ বন্দী কবি, নোহে নিয়মৰ।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।



# হিন্দুধৰ্ম্মৰ আদি শাস্ত্ৰ কি ?

হিন্দুধৰ্ম্মৰ আদি শাস্ত্ৰ বেদ। বেদ ঈশ্বৰৰ বাক্য বুলি তাক হিন্দু মাত্ৰেই অখণ্ডনীয়, নিৰ্ভুল আৰু সৰ্ব্বধৰ্ম্মশিৰোমণি বুলি মানে। সাধাৰণ চলিত কথা এটা কবলৈ হলেও আমি বেদৰ দোহাই দিওঁ। মগনীয়া এটাক ভিক্ষা নিদিলে বা কিবা নোখোৱা বস্তু ভক্ষণ কৰিলে বা জাতি অজাতি বিচাৰ নকৰিলে বা হিন্দু ধৰ্ম্ম ত্যাগ কৰিলে আমি সকলো কথাতে বেদ এৰিলে বুলিহে কওঁহক। আমি বেদকে হিন্দু ধৰ্ম্মৰ সৰ্ব্বঢাক মন্ত্ৰ যেন জ্ঞান কৰোঁ। কিন্তু বাস্তৱিকতে বেদ কি আৰু বেদত কি আছে তাক আমাৰ ভিতৰত কিমান মানুহে জানে ? আৰু কিমানে জানিবলৈ চেষ্টা কৰিছে ?

সংস্কৃত বিদ্ ধাতুৰপৰা বেদ হৈছে, বিদ্ অৰ্থ জ্ঞান। আন আন শাস্ত্ৰ যেনেকৈ ইংৰাজ ৰজাৰ' দিনত লাহে লাহে সমাজৰ পোহৰলৈ আহিছিল, বেদ তিমান সোনকালে আহিব পৰা নাছিল। ব্ৰাহ্মণসকলহে বেদৰ গৰাকী আৰু তেওঁলোকৰ বাহিৰে বেদ আনে পঢ়িব যে নেপায়েই ছুবও নেপায়। গতিকে বেদ বহুত দিন গুপ্তভাৱে ব্ৰাহ্মণসকলৰ হাতত থাকিছিল। বঙ্গদেশৰ ৰাজা ৰামমোহন ৰায়ৰ নিচিনা মহাত্মা আৰু উদাৰ ব্ৰাহ্মণৰ দিনৰপৰা বেদ আৰু তাৰ লগৰীয়া শাস্ত্ৰবিলাকে লাহে লাহে বাহিৰলৈ আহিবলৈ ধৰিলে। আৰু ইউৰোপীয় বিশেষকৈ জৰ্ম্মেণিৰ পণ্ডিতসকলে যেতিয়া বেদৰ ইংৰেজী আৰু জৰ্ম্মাণিত তৰ্জ্জমা কৰি ছপা কৰি প্ৰকাশ কৰিবলৈ ধৰিলে যেতিয়াৰপৰাহে ইয়াৰ পণ্ডিতবিলাকেও বেদ পঢ়িব আৰু আলোচনা কৰিবলৈ পাইছে। অলপতে ঋকবেদৰ বঙ্গলা ভাঙনিও ছপা হৈ প্ৰকাশ হৈছে।

বেদ মোটে চাৰিখন। ঋক্‌বেদ, যজুৰ্বেদ, সামবেদ, আৰু অথৰ্ব্ব বেদ। ঋক্ বেদত কোন কোন দেৱতাক কেনেকৈ আৰাধনা কৰিব লাগে তাক লেখা আছে। লেখাবিলাকক মন্ত্ৰ বোলে। দেৱতা বা দেৱ, সংস্কৃত দিব (জ্যোতি) ধাতুৰপৰা হৈছে, আৰু প্ৰথমতে সেই সেই জ্যোতিষ্মান্ বস্তুকে বুজাইছিল। আকাশত নক্ষত্ৰ আৰু তৰাবিলাক, চন্দ্ৰ, সূৰ্য্য, অগ্নি,

প্ৰাতঃকাল (উষা), নদী, পৃথিৱী আদি সকলো দেৱ। পাছলৈ আকাশৰ উজ্জ্বল নক্ষত্ৰবিলাকৰ লগে লগে সেইবোৰৰ গুণ থকা আন আন বিশেষ উজ্জ্বল নোহোৱা বস্তুতো দেৱ পদ প্ৰয়োগ কৰিবলৈ ধৰিলে।

এই দেৱবিলাকৰ সংখ্যা আদিতে ৩৩জন আছিল। ১১জন আকাশৰ, ১১জন মৰ্ত্তৰ আৰু ১১জন জলৰ। কিন্তু পাছলৈ এই ৩৩ জন দেৱৰপৰা ৩৩ কোটি দেৱতা হল গৈ।

যজুৰ বেদত যাগ আৰু যজ্ঞ কৰোঁতে পুৰোহিতে যিবিলাক মন্ত্ৰ পাঠ কৰিব লাগে তাক লেখা আছে, আৰু যজ্ঞত বলি কটাৰ নিয়মাদি এই বেদত লেখা আছে। সাম বেদতো যজ্ঞত উচ্চাৰণ কৰিবলৈ আৰু সোমৰস পাঠ কৰি মন্ত্ৰ পাঠ কৰিবলৈ বিধান দিছে।

অথৰ্ব্ব বেদত শত্ৰু দমন কৰিব পৰা মন্ত্ৰ দিছে। অথৰ্ব্ব বেদ আন তিনিখন বেদৰ সমসাময়িক নহয় বুলি বহুতে কয়। মনুয়ে এইখন বেদৰ উল্লেখ কৰাও পোৱা নাই।

বেদ যদিও চাৰিখন, বেদত বিচাৰ কৰা বিষয় লৈ এই চাৰিউখন বেদকে দুই ভাগে বিভক্ত কৰিব পাৰি। এভাগ কৰ্ম্মকাণ্ড আৰু আন ভাগ জ্ঞানকাণ্ড। যাগ যজ্ঞ বৰ্ণনা কৰা বেদৰ পৰ্ব্ব বা খণ্ডক কৰ্ম্ম-কাণ্ড আৰু ঈশ্বৰতত্ত্ব বা আলোচনা কৰা খণ্ডক জ্ঞানকাণ্ড বোলে। কৰ্ম্মকাণ্ডত আগেয়ে কৈ অংশ মন্ত্ৰবিলাক আছে, আৰু জ্ঞানকাণ্ডত বেদৰ অন্ত বা আলোচনা কৰা শেষ জ্ঞান আছে। আৰু বেদৰ জ্ঞানকাণ্ড অৰ্থাৎ শেষৰ খণ্ডক বেদান্ত বোলে। আৰু বেদান্ত আৰু উপনিষদৰ বিচাৰ্য্য বিষয় লৈ দুইখন শাস্ত্ৰ একেই বুলিব পাৰি।

বেদান্ত আৰু উপনিষদৰ মতে ঈশ্বৰ এজন, তেওঁ অনাদি অনন্ত আৰু সৰ্ব্বব্যাপী। তেওঁ ব্ৰহ্মময় আৰু সকলো জীৱজন্তু আৰু পদাৰ্থত তেওঁ সদায় বৰ্ত্তমান। তেনেকুৱা ঈশ্বৰক যতে ততে পাব পাৰি, আৰু যেনে তেনে অৱস্থাতে পূজা কৰিব পাৰি। তেওঁক পূজা বা ধ্যান কৰিবলৈ কোনো বিশেষ ঠাইৰ আৱশ্যক নকৰে, কোনো আকাৰ বা মূৰ্ত্তিৰ আৱশ্যক নকৰে আৰু কোনো বিশেষ বচন বা বাক্য বা মন্ত্ৰৰো আৱশ্যক নকৰে। নিজৰ অন্তঃকৰণৰপৰা নিজৰ কথা বা হৃদয়ৰ ভাবেৰে ঈশ্বৰক ধ্যান বা



প্ৰাৰ্থনা বা পূজা কৰিব পাৰি। এই প্ৰকাৰে ঈশ্বৰক পূজা কৰিলে মনত শান্তি জন্মে আৰু মনৰ উন্নতি হয় আৰু নৈতিক আৰু মানসিক আৰু আধ্যাত্মিক শিক্ষা হয় আৰু যথাৰ্থ ধৰ্ম্ম কাৰ্য্যত মানুহৰ প্ৰবৃত্তি জন্মে।

বেদান্ত আৰু উপনিষদত ঈশ্বৰ আলোচনা কৰি যি তত্ত্ব উলিয়ালে সেই তত্ত্বৰ শিক্ষা শ্ৰীমদ্ভগবদ্গীতাত দেখুৱাইছে। অৰ্থাৎ বেদান্ত আৰু উপনিষদৰ ঈশ্বৰ তত্ত্ব আৰু ধাৰণা শ্ৰীমদ্ভগবদ্গীতাত প্ৰমাণ কৰিছে, বা সেই তত্ত্ব বা জ্ঞান কাৰ্য্যক্ষেত্ৰত গীতাত অভিনয় কৰি দেখুৱাইছে। সেই কাৰণে পণ্ডিত সকলে বেদান্ত, উপনিষদ আৰু শ্ৰীমদ্ভগবদ্গীতা এই তিনিওখন শাস্ত্ৰ গোটাই হে বেদান্তশাস্ত্ৰ সম্পূৰ্ণ বোলে। এই তিনিওখন শাস্ত্ৰ, তেওঁলোকৰ মতেৰে তিনি প্ৰস্থান বা শিক্ষা। বেদান্ত সূত্ৰ—ন্যায় প্ৰস্থান, উপনিষদ—শ্ৰুতি-প্ৰস্থান, আৰু গীতা—স্মৃতি-প্ৰস্থান। বেদান্ত সূত্ৰত আৰু উপনিষদত ঈশ্বৰক কেৱল ব্যাখ্যা কৰিছে, গীতাত সেই ঈশ্বৰৰ প্ৰতি আমাৰ কি কৰ্ত্তব্য তাক দেখুৱাই দিছে। গীতাত মানুহৰ কৰিব লগীয়া কাৰ্য্যবিলাক দেখুৱাই ঈশ্বৰেৰে সৈতে আমাৰ কি সম্বন্ধ, আমি কেনেকৈ ঈশ্বৰক পাব পাৰোঁ তাক সুন্দৰ আৰু স্পষ্টকৈ বুজাই দিছে।

বেদান্ত আৰু উপনিষদ যি সহজে বুজি নেপায়, তেওঁলোকে শ্ৰীমদ্ভগবদ্গীতা পঢ়ি ঈশ্বৰ কি আৰু তেওঁক কেনেকৈ পাব পাৰি তাক জানিব পাৰে। শ্ৰীমদ্ভগবদ্গীতাৰ শ্ৰীকৃষ্ণ বিষ্ণুৰ সম্পূৰ্ণ অৱতাৰ আৰু বেদান্ত উপনিষদৰ ব্ৰহ্মময় ঈশ্বৰ, আৰু তেৱেঁই আদি মধ্য আৰু অন্ত। তেওঁৰ প্ৰিয় সখিয়ে তেওঁতে সকলো পালে, তেৱেঁই সকলোৰে কাৰণ, পালক আৰু সংহাৰক। আনবিলাক কেৱল ভৌতিক চকুৰ লীলাস্বৰূপ। শ্ৰীমদ্ভগবদ্গীতাই আমাক আমাৰ প্ৰকৃতি অনুসাৰে কেৱল কাৰ্য্য কৰিবলৈ কৈছে ফলাফল তেওঁৰ হাতত। কাৰ্য্য কৰাই হৈছে আমাৰ ধৰ্ম্ম, কাৰ্য্য নকৰা অধৰ্ম্ম আৰু পাপ। জন্ম-মৃত্যু কেৱল অৱস্থান্তৰ মাত্ৰ, তাৰ নিমিত্তে কোনেও ভয় কৰিব নেপায়। ঈশ্বৰ সৰ্ব্বত্ৰ বৰ্ত্তমান আৰু সৰ্ব্বকুশলকাৰক। বেদান্ত উপনিষদত যেনেকৈ সকলো পদাৰ্থই ঈশ্বৰময়, গীতাতো তেনেকৈ।

"সমস্ত ভুতত ব্যাপী আছোঁ মই হৰি।
সবাক মানিবা তুমি বিষ্ণু বুদ্ধি কৰি॥

ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাকে সে পণ্ডিত বুলিও সৰ্ব্বজান।"—কীৰ্ত্তন।

শ্ৰীদেবেশ্বৰ চলিহা।

---

# সৃষ্টিৰ পাতনি আৰু তাৰ ক্ৰমবিকাশ।

( ২ )

আমি এই নীহাৰিকাবিলাককে জগতৰ আদিম অৱস্থা বুলি ধৰিব পাৰোঁ। আমি সম্প্ৰতি আধুনিক বৈজ্ঞানিকসকলৰ নীহাৰিকাবাদ নো কি তাকে উমুকিয়াওঁ।

এই মহাশূন্যত প্ৰথমতে পদাৰ্থবিলাক বিক্ষিপ্ত ভাবে আছে বুলি ধৰা যাওক। ইয়ত সৃষ্টিৰ নানা অৱস্থাত আছে (In different stages of creation)। এই মহাশূন্যৰ কোনো এক প্ৰদেশত আমি মন নিবিষ্ট কৰোঁহক।

এই ঠাইৰ জড়পিণ্ড বাষ্পময়। কোনো কাৰণবশতঃ অত্যন্ত তাপ উৎপন্ন হোৱাত ই শূন্যৰ এক অংশ জুৰি জ্বলন্ত বাষ্পাকাৰ হৈ আছে। এই বাষ্পৰ পৰমাণুবিলাকে পৰস্পৰ আকৰ্ষণ কৰিব লাগিছে। প্ৰত্যেক প্ৰত্যেকৰ ব্যৱধানত থাকি আকৰ্ষণ কৰাত আমি বুজিব লাগিব যে প্ৰচ্ছন্ন শক্তি বা উৎপাদিকা শক্তি (potential energy) বৰ্ত্তমান আছে। মধ্যাকৰ্ষণ হেতু বাষ্প-পৰমাণুবোৰ কাষ চাপি আহে। ইয়াৰ ফলত উৎপাদিকা শক্তি লোপ হৈ স্পন্দন শক্তি উৎপন্ন হয়। এই স্পন্দন শক্তিক তাপ বোলা যায়। আৰু এই তাপ বা স্পন্দন শক্তি বাষ্প ঘনীভূত হোৱাৰ প্ৰতিবন্ধক হৈ উঠে। এইৰূপে কিছু পৰিমাণ তাপ উৎপন্ন হলে বাষ্প আৰু ঘনীভূত হব নোৱাৰে। ইয়াৰ ফলত উৎপাদিকা শক্তিৰ আৰু হ্ৰাস নহয়। যদি কেৱল এয়ে হয় তেন্তেহলে জগৎ বাষ্পময় হৈয়ে থাকিলহেঁতেন। কিন্তু



তাপ আৰু পোহৰশক্তি শূন্যেদি বিকীৰিত হবলৈ আৰম্ভ কৰে। সেই হেতু লাহে লাহে বাষ্পৰ তাপ কমি আহে। কিন্তু তেতিয়াই আকৌ উৎপাদিকা শক্তিৰ কিছু পৰিমাণ নষ্ট হৈ বিকীৰিত হোৱা তাপ শক্তিৰ ঠাই পূৰণ কৰে। কাজেই বাষ্পবিলাক ক্ৰমান্বয়ে ঘন হৈ আহিবলৈ ধৰে। যদি এই দৰেই বাষ্পপিণ্ডৰ অৱস্থা সলনি হয় তেন্তে কিছু যুগৰ পাছত সেই বাষ্পপিণ্ড এটা কঠিন গোলকত পৰিণত হবগৈ। আৰু এনে অৱস্থাত ই চলনশক্তি ৰহিত হৈ ধ্বংসৰ দিনলৈকে একে ঠাইতে থাকিব।

কিন্তু এনে স্থাবৰত্ব অতি কম বস্তুৰেই ঘটে। শক্তি কেৱল উৎপাদিকা ভাবে আৰু স্পন্দন ৰূপেই যে থাকিব তাৰ কোনো মানে নাই। শক্তি এই দুই ৰকম মূৰ্ত্তিৰ বাহিৰেও যে আৰু নানা ৰূপ ধৰি আছিল সি নিশ্চয়। এই বহুধা মূৰ্ত্তিৰ ভিতৰত যে চলন্তা শক্তি বা গতিশক্তিও (Translational Energy) আছিল তাৰ কোনো সন্দেহ নাই। কিন্তু কোনো জড়বস্তু কোনো দিশলৈ বেগবিশিষ্ট হলেই মধ্যাকৰ্ষণৰ গুণত সি এটা নিৰ্দ্দিষ্ট জ্যামিতিক পথ অৱলম্বন কৰিব। এইবিলাক পথৰ আতি সহজটোৱেই হৈছে চক্ৰাকৃতি। যদি এটা গুটি ডোল এডালেৰে বান্ধি ঘূৰোৱা যায় তেন্তে গুটিটো চক্ৰাকৃতি পথত ঘূৰিব; কাৰণ গুটিটো কোনো সৰল পথেৰে হাতৰপৰা আঁতৰি যাব খোজে, কিন্তু হাতে গুটিটোক ডোলডালেৰে হাতৰ পিনলৈ টানি ধৰে। এই টান নথকাহেঁতেন, গুটিটো চক্ৰাকৃতি পথত কেতিয়াও ঘূৰিলেহেঁতেন। ডোলডাল কাটি দিলে তৎক্ষণাৎ গুটিটো হাতৰপৰা আঁতৰি গুচি যাবগৈ। মধ্যাকৰ্ষণৰ গুণত ঘূৰি থকা পদাৰ্থৰ সহজানুযায়ী দ্বিতীয় পথ বৃত্তাভাস বা প্ৰায় ডিম্বাকৃতি। এই পথেদি গ্ৰহবোৰে সূৰ্য্যক প্ৰদক্ষিণ কৰে।

তেনেহলে এই পদাৰ্থপুঞ্জ বেগবিশিষ্ট হোৱাত চক্ৰাকৃতি পথতে জড়কেন্দ্ৰৰ চৌদিশে ঘূৰিবলৈ ধৰে। প্ৰথমতে গতিৰ বেগ নিচেই কম। কিন্তু তাপ আৰু আলোকশক্তি বিকীৰিত হোৱাত পৰমাণুপুঞ্জৰ স্পন্দন কমি আহিবলৈ ধৰে, স্পন্দন কমাত মধ্যাকৰ্ষণ শক্তিৰ বিকাশ প্ৰাপ্ত হবলৈ ধৰে, এই উৎপাদিকা শক্তি হ্ৰাস হোৱাৰ লগে লগে তাপ বা স্পন্দন শক্তি আৰু বেগ বা ঘূৰ্ণন শক্তিৰ বৃদ্ধি প্ৰাপ্ত হয়। এইৰূপে উৎপন্ন তাপে বিকীৰিত হোৱা তাপৰ

ঠাই অধিকাৰ কৰে। কাজেই যদিও তাপ আৰু আলোক ক্ৰমাতেই বিকীৰিত হব লাগিছে তথাপি জড়পিণ্ডৰ তাপ অক্ষুণ্ণ থাকে। এইটোৰ উদাহৰণস্বৰূপে সূৰ্য্যৰ পিনে চালেই পাওঁ। বৈজ্ঞানিকসকলে সূৰ্য্যৰ তাপৰ অক্ষুণ্ণতাৰ বিষয়ে আলোচনা কৰি আহিছে। কিন্তু কোনো সুবিধাজনক সমিধান পোৱা নাছিল ; সম্প্ৰতিকেহে ওপৰত লিখা কথাকে সম্ভৱ বুলি থিৰাং কৰিছে। যদি সেয়ে হয়, সূৰ্য্য বয়সৰ লগে লগে ক্ষীণকায় হব লাগিছে। কিন্তু ক্ষীণতাৰ ক্ৰম ইমান সৰু যে কেবা শ বছৰৰ পাছতো পৃথিৱীৰপৰা তত ধৰিব পৰা নাযাব। তথাপি এইৰূপ ক্ষীণতাৰপৰাই যিখিনি তাপ উৎপন্ন হয় সেয়েই সূৰ্য্যৰ বিকীৰ্ণ তাপ পূৰণ কৰিবৰ পক্ষে যথেষ্ট।

আকৌ আমাৰ কথা আৰম্ভ কৰা যাওক। তাপ বিকীৰণ হোৱাৰ লগে লগে বাষ্পপিণ্ডৰ উৎপাদিকা শক্তি হে হ্ৰাস হল, কিন্তু তাপ নকমিল আৰু সেইহেতু বাষ্প ঘনীভূত বৰ ধীৰেৰে হবলৈ ধৰে, আৰু ঘনীভূত হোৱাৰ লগে লগে ঘূৰ্ণন গতি ক্ৰমান্বয়ে বৃদ্ধি হয়,—অৰ্থাৎ বাষ্পবিলাক জড়কেন্দ্ৰৰ ( Centre of gravity ) চৌভিতি বেছি বেগেৰে ঘূৰিবলৈ ধৰে। এই ঘূৰ্ণন গতিৰ নিমিত্তে বাষ্পপৰমাণুবিলাক একে সমতললৈ আহিব খোজে। সেই কাৰণে বাষ্পবিলাক কাঁহীৰ নিচিনা চেপেটা অৱস্থা প্ৰাপ্ত হয়গৈ। এই কথাটো আগেয়ে দিয়া পৰীক্ষা দুটাই বিশেষৰূপে প্ৰতিপন্ন কৰে। প্ৰথমটোত দেখা গৈছে এখন হাতেৰে কেবাটাও গুটি ডোলত বান্ধি ঘূৰালে গুটিবোৰ একে সমতললৈ আহে ; আৰু দ্বিতীয়টোত দেখা গৈছে তেলটোপা বৰ বেগাই ঘূৰালে মেৰু দুটা কাষ চাপি আহি চেপেটা হৈ ঘূৰিবলৈ ধৰে। বাষ্পপিণ্ড এই অৱস্থাতে যুগ যুগান্তৰ ঘূৰি থাকে। পাছত এনেকুৱা এটা সময় প্ৰাপ্ত হয়, যেতিয়া সেই বাষ্পপিণ্ডৰ বিষুব মণ্ডলৰ ঘূৰ্ণন গতি ইমান বেছি হয়, যে সেই অংশক জড়কেন্দ্ৰৰপৰা আঁতৰি নোযোৱাকৈ ধৰি ৰাখিবলৈ পদাৰ্থপুঞ্জৰ মাধ্যাকৰ্ষণিক বল গোটেইখিনি প্ৰয়োগ কৰিব লগীয়া হয়। * এই অৱস্থা পালে বিষুব ৰেখাত অৱস্থিত পদাৰ্থ আৰু

* এই কথা বুজিবলৈ হলে আমি জানিব লাগিব যে কোনো এটা গুটি ডোল এডালেৰে ঘূৰাবলৈ হলে আমি গুটিটোৰ ওপৰত কেন্দ্ৰাভিমুখে বল প্ৰয়োগ কৰিব লাগিব। গুটিৰ বেগ যিমান বেছি বল প্ৰয়োগো বেছি হব লাগিব। বাস্তৱিকে বলপ্ৰয়োগ বেগৰ বৰ্গানুপাতে



জড়কেন্দ্ৰৰ পিনে কাষ চাপি আহিব নোৱাৰে। তেতিয়া অন্যান্য অংশ তাপ কমি অহাৰ লগে লগে ঘনীভূত হৈ আহিলেও বিষুব মণ্ডল জড়কেন্দ্ৰৰ সমান্তৰালত থাকি ঘূৰি থাকে। কাজেই সেই অংশ প্ৰধান পিণ্ডৰপৰা বিচ্ছিন্ন হৈ আঙঠি এটাৰ নিচিনা হৈ ঘূৰি থাকে।

এনে অৱস্থাত যদি পদাৰ্থপুঞ্জৰ কেন্দ্ৰস্থ বাষ্পৰ পৰিমাণ বৰ বেছি তেন্তে সেই বাষ্প তাপ বিকীৰণ কৰি সোনকালে চেচা হব ( অৰ্থাৎ সৰ্ব্বত্ৰ সমান চেচা হব ), আৰু চেচা হোৱাৰ লগে লগে মধ্যাকৰ্ষণিক প্ৰভাৱে বাষ্পপুঞ্জক কেন্দ্ৰীভূত কৰিব আৰু সি কাঁহীৰ নিচিনা চেপেটা গুচি ক্ৰমান্বয়ে গোলাকৃতি হবলৈ আৰম্ভ কৰিব।

ইফালে মধ্য পিণ্ডৰপৰা বিচ্ছিন্ন হৈ প্ৰবল বেগেৰে ঘূৰি থকা বাষ্প পিণ্ডৰ আঙঠিৰ দুই ৰকম অৱস্থা হব পাৰে ;—(১) যদি কেন্দ্ৰৰ চৌভিতি এই

বাঢ়ি যায়। গুটিৰ বেগ ইমান বেছি কৰিব পাৰি যে ডোলডাল টান সহিব নোৱাৰি ছিগি যায়গৈ।

পৃথিৱীৰ বিষুব মণ্ডলত অৱস্থিত বস্তুবিলাক পৃথিৱীৰ লগত চক্ৰ গতিত ঘূৰিব লাগিছে। পৃথিৱীয়ে কেন্দ্ৰাভিমুখে বল প্ৰয়োগ নকৰা হলে ই সম্ভৱ নহলহেঁতেন। আৰু পৃথিৱীৰ গাত লাগি থকা বস্তুবিলাক পৃথিৱী এৰি গুচি গলহেঁতেন। আচলতে পৃথিৱীয়ে বস্তুটো ধৰি ৰখা যিমান বল দৰকাৰ তাতোতকৈ বহুগুণে বেছি বল প্ৰয়োগ কৰে। সেইদেখি আমি বস্তুৰ ভৰ অনুভৱ কৰোঁ। এই ভৰ পৃথিৱীয়ে প্ৰয়োগ কৰা সম্পূৰ্ণ বল আৰু বস্তু পৃথিৱীৰ পৰা আঁতৰি নাযাবলৈ প্ৰয়োগ কৰা বলৰ বিয়োগ ফলৰ সমান। পৃথিৱীৰ ঘূৰ্ণন গতি যদি হঠাৎ বৰ যায় তেন্তে বিষুব মণ্ডলত অৱস্থিত বস্তুৰ ভৰ প্ৰায় ১/৩০০ অংশে বৃদ্ধি হব। আকৌ যদিহে পৃথিৱীৰ বেগ প্ৰায় ১৭ গুণ বৃদ্ধি হয় তেনেহলে পৃথিৱীয়ে বিষুব অংশৰ বস্তুবিলাক কেৱল ধৰি ৰাখিবলৈ নিজৰ সম্পূৰ্ণ বল প্ৰয়োগ কৰিব লাগিব। এনে অৱস্থাত বিষুব অংশৰ কোনো বস্তুৰে ভৰ নাথাকিব।

বস্তুবিলাকৰ আধাৰ গুচাই দিলে সিহঁত আলাসতে ভাহি থাকিব। এতিয়া পৃথিৱী খন যদি সৰু হৈ যায় তেনেহলে বিষুব ৰেখাৰ ওপৰত থকা গোটেইবিলাক বস্তু আৰু পৃথিৱীৰ গাত লাগি নাথাকে। কিন্তু আগেয়ে পৃথিৱীৰ কেন্দ্ৰৰপৰা যিমান আঁতৰত আছিল এতিয়াও সিমান আতৰত অৱস্থিত হৈ ঘূৰি থাকিব। পৃথিৱী তেতিয়া মানুহ গৰু আদি জীৱজন্তু আৰু পৃথিৱীত অসংখ্য গোটেইবিলাক বস্তুৰে গঠিত আকাশত ঘূৰি থকা আঙঠি এটাৰে পৰিবেষ্টিত হৈ থাকিব। শনি গ্ৰহৰ আঙঠিটো আৰু ওপৰত লিখা নীহাৰিকাপুঞ্জৰ আঙঠি এইদৰে সংঘটিত হয়।

বাষ্প সমভাৱে বিস্তৃত হৈ থাকে তেনেহলে ই চেপেটা উজ্জ্বল আঙঠিৰ নিচিনা হৈ জড় কেন্দ্ৰৰ (centre of gravdy) চৌভিতি ঘূৰিবলৈ ধৰিব। এই অৱস্থাটো পূৰ্ব্বে উল্লেখ কৰা পানীৰ মাজত তেলৰ আঙঠিলৈ মন কৰিলেই বুজিব পৰা যায়। ইয়াৰ প্ৰাকৃতিক উদাহৰণ শনি গ্ৰহৰ চাৰিও পিনে ঘূৰা আঙঠিটোত পোৱা যায়। বহুতে হয়তো নাজানিব পাৰে যে গ্ৰহবিলাকত বাজেও সূৰ্য্যৰ চাৰিওপিনে এনেকুৱা এটা আঙঠি 'Asteroides) আছে। যদি সেই বৃত্তাকৃতি পথত ঘূৰা বাষ্পৰ আঙঠিটো কোনো প্ৰতিবন্ধকতা পাই এঠাইত ছিগি য়ায়, তেন্তে গোটেই আঙঠিটো কোঁচ খাই আহি এটা বাষ্পপিণ্ড হব। এইদৰে এটা বা বহুতো পিণ্ড হব পাৰে, প্ৰত্যেকটোৱেই অত্যন্ত উত্তপ্ত অৱস্থাত থাকে। নাইবা এনেকুৱাও হব পাৰে যে মধ্যপিণ্ডৰপৰা ছিগি যোৱা আঙঠিত বাষ্প সমভাৱে বিস্তৃত হৈ নাছিল। তেনেহলে সেই বাষ্প আঙঠিৰ দৰে হৈ নাথাকে। এই অৱস্থাত এই বাষ্পবোৰ একেবাৰেই পিণ্ডাকাৰ হৈ গ্ৰহৰ নিচিনাকৈ জড় কেন্দ্ৰৰ চৌভিতি ঘূৰি থাকিব পাৰে। এই বাষ্প পিণ্ডাকাৰ প্ৰাপ্ত হোৱাৰ লগে লগে ইয়াৰ নিজৰ জড়কেন্দ্ৰৰ চৌভিতি লাটিমৰ নিচিনা ঘূৰ্ণন গতি এটা উৎপন্ন হয়;—অৰ্থাৎ নিজে মেৰুদণ্ডৰ চৌভিতি ঘূৰিবলৈ ধৰে, আৰু গোটেইটো পিণ্ডই পূৰ্ব্বৰ দৰে জড়কেন্দ্ৰৰ চৌভিতি আগৰদৰেই ঘূৰি থাকে। শেহত মূল কেন্দ্ৰত যিমান বাষ্পপুঞ্জ থাকি গল সি এটা সূৰ্য্যত পৰিণত হল। আৰু তাৰ চৌভিতি ঘূৰি থকা বাষ্পপিণ্ডক এটা গ্ৰহ বা ভাবী গ্ৰহ বুলিব পাৰি। কিন্তু এই সূৰ্য্য আৰু গ্ৰহ দুয়ো একে সমানে উজ্জ্বল আৰু উত্তপ্ত হৈ থাকে; কাজেই আদিম অৱস্থাত সূৰ্য্য আৰু গ্ৰহৰ আকৃতি আৰু আয়তন ভিন্ন কোনো পাৰ্থক্য নাথাকে। যদিহে সূৰ্য্য আৰু গ্ৰহৰ কলেৱৰ প্ৰায় সমান হয় তেন্তে আমি দুয়োটাকে যুগ্ম তৰা বোলোহঁক। কিন্তু সাধাৰণতঃ আচল সূৰ্য্যটোৰ গাৰপৰা খহি যোৱা গ্ৰহৰ আয়তন সূৰ্য্যৰ আয়তনতকৈ বহুগুণে কম হয়। সেইহেতু ক্ষুদ্ৰ কলেৱৰী গ্ৰহটো সূৰ্য্যতকৈ অপেক্ষাকৃত খৰকৈ চেচা হয়; এই কাৰণে আমাৰ এই সৌৰজগতত গ্ৰহ আৰু সূৰ্য্যৰ এনে পাৰ্থক্য।

এই খিনিতে আৰু কেটামান কথা কোৱা যাওক। যদিও ওপৰত



বাষ্পৰ গতি বিধিৰ কেৱল কেটামান মূল ধৰণ কোৱা হৈছে, বাস্তবিকে সকলোবিলাক গতি বিধি বহুত জটিলতাৰে পৰিপূৰ্ণ। মুঠতে কবলৈ গলে যত ৰকম গতি আৰু স্পন্দন আদি ভাবিব পাৰি সেই সকলোবিলাক জগৎ সৃষ্টিৰ আদিম অৱস্থাত আছিল বুলি কলে বাহুল্য নহব। ঠিক যেন প্ৰবল বেগেৰে বোৱা নদীৰ পানীহে। পানীৰ গতি বিধিৰ একো ঠিক নাই। পানীৰ এঠাইত চাকনৈয়া হৈছে, সেই চাকনৈয়াৰ চাৰিও পিনে আকৌ সৰু সৰু চাকনৈয়া ঘূৰিব লাগিছে। আৰু এই চাকনৈয়াসমূহ পানীৰ সোঁতত কোনোবা ফালে যাব লাগিছে। তাৰ উপৰি আৰু পানীৰ পৰমাণুজাকৰ মাজত খুন্দিয়াখুন্দি আদি আছেই। বৰ্ত্তমান সেই সৌৰ জগতত আমি এক গতিবিশিষ্ট পদাৰ্থ দেখিবলৈ নাপাওঁ।

নমুনাস্বৰূপে পৃথিবীৰ গতিৰ কথা এফাকি কোৱা যাওক। পৃথিবী সূৰ্য্যৰ চাৰিও পিনে ঘূৰিছে, আৰু নিজৰ মেৰুদণ্ডৰ চাৰিওপিনে লাটুমৰ নিচিনা ঘূৰিছে। আকৌ মেৰুদণ্ডভাগ বেগ কমি অহা লাটুমৰ মেৰুদণ্ডৰ দৰে ঢলং পলং কৰি পাক খাবলৈ ধৰিছে। তাৰ উপৰি পৃথিবীৰ বাহিৰে অন্যান্য গ্ৰহৰ অল্পবিস্তৰ আকৰ্ষণৰ হেতু নানাবিধ গতি! আকৌ সূৰ্য্য মণ্ডলৰ লগে লগে শূন্য মাৰ্গেদি কোনো এক দিশলৈ ধাৱিত হৈছে। আৰু তাৰ বাহিৰেও এই বহুধা গতিবিশিষ্ট বসুন্ধৰাৰ লগত আমি ঘূৰি ফুৰিব লাগিছোঁ। তেনেহলেনো আমি শূন্যৰ কি বাটেদি যাব লাগিছোঁ। তাক কোনোবা অঙ্কবিদে কৈ দিব পাৰিব নে? দূৰৈৰ নক্ষত্ৰবাসী এজনে আমাক কোন পথেদি যোৱা দেখিব?

আকৌ আচল কথালৈ অহা যাওক। নানা ৰকমৰ গতিৰ নিমিত্তে বাষ্পপিণ্ডৰপৰা কেৱল একেটি গ্ৰহ উৎপন্ন নহবও পাৰে। সূৰ্য্যৰ চাৰিও পিনে ঘূৰা একাধিক গ্ৰহ, আৰু গ্ৰহৰ চাৰিওপিনে ঘূৰা উপগ্ৰহসকল একে সময়তে সৃষ্ট হয়। এই এটাইবোৰ মধ্যাকৰ্ষণৰ প্ৰভাৱত চেপেটা গোঁচ গোলাকৃতি হবলৈ ধৰে। তথাপিতো সিহঁত সম্পূৰ্ণৰূপে ঘূৰণীয়া হব নোৱাৰে। তাৰ প্ৰমাণ পৃথিবীয়েই। পৃথিবীখন চলিত ভাষাত কবলৈ গলে সুমথিৰা টেঙাৰ নিচিনা চেপেটা।

আমাৰ পৃথিবী আৰু অন্যান্য গ্ৰহবিলাক জন্মাত সূৰ্য্যৰ নিচিনা অত্যন্ত

উত্তপ্ত আছিল আৰু একেবাৰে বাষ্পীয় অৱস্থাত আছিল। সূৰ্য্য আৰু গ্ৰহবিলাকৰপৰা ক্ৰমান্বয়ে তাপ আৰু পোহৰ বিকীৰিত হবলৈ ধৰিলে, আৰু সৰু সৰু গ্ৰহবিলাক চেচা হৈ জুলীয়া অৱস্থা পালেহি। এই দৰে বহুযুগ যাওঁতে গোটেইবিলাক গ্ৰহে জুলীয়া অৱস্থা পালেগৈ আৰু উপগ্ৰহবিলাকে গোট মাৰিবলৈ আৰম্ভ কৰিলে। কিন্তু সূৰ্য্য প্ৰকাণ্ড-শৰীৰি গুণে বহুত শক্তি সঞ্চিত হৈ থকাত তাৰ অৱস্থা একে থাকিল ;—অৰ্থাৎ বাষ্পৰূপেই থাকিল। কিন্তু কালক্ৰমত সৰু সৰু গ্ৰহবিলাকৰো ওপৰ ভাগ বহু শক্তি বিকীৰিত হৈ যোৱাৰ নিমিত্তে গোট মাৰিবলৈ ধৰিলে ; কিন্তু তেতিয়াও জুলীয় পদাৰ্থবোৰ বাষ্প আকাৰ হৈ মেঘৰ দৰে গোটেই গ্ৰহ আচ্ছন্ন কৰি থাকিল, কিন্তু কিছু দিনৰ পিছত সেই গ্ৰহ আৰু চেচা হল আৰু মেঘবিলাক পানীৰূপে পৰিণত হল। তাৰ লগে লগে মাটি আৰু পানীৰ সৃষ্টি হল। এই সময়েতে সেই গ্ৰহৰ আদিম উদ্ভিদ আৰু প্ৰাণীৰ আবিৰ্ভাব হল। কিন্তু সেই সময়ত বৃহত্তৰ গ্ৰহবিলাক সিমান চেচা হোৱা নাছিল। আৰু সূৰ্য্যবো তুলনাত কেৱল নাম মাত্ৰ শক্তি হ্ৰাস হোৱাৰ বাবে মাত্ৰ ডোখৰ অলপ ঘনীভূত হৈছিল। আমাৰ এই সৌৰজগৎ পৰমাণুপুঞ্জৰপৰা উৎপন্ন হৈ ঠিক এই অৱস্থা পাইছেহি। চন্দ্ৰ আৰু আন আন উপগ্ৰহবিলাক শুকাই কৰ্কৰীয়া মাৰিছে। ক্ষুদ্ৰ বুধ গ্ৰহৰ ( Mercury ) অৱস্থাও প্ৰায় তেনে। তাতকৈ ডাঙৰ শুক্ৰ ( Venus ), মঙ্গল ( Mar আৰু পৃথিবীৰ ওপৰ ভাগ চেচা কিন্তু ভিতৰ ভাগ জুলীয়া। এইবিলাকতকৈও ডাঙৰ শনি গ্ৰহ ( Saturn ) আৰু বৃহস্পতি ( Jupitar ) এতিয়াও উত্তপ্ত অৱস্থাত আছে। বৃহস্পতিৰ তাপ ইমান বেছি যে তাৰ উপৰিভাগ তেনেই জুলীয়া অৱস্থাত আছে।

যদি এই সূৰ্য্য-মণ্ডলত কোনো আকস্মিক বিপ্লৱ নঘটে তেনেহলে অনেক যুগযুগান্তৰৰ পিছত সূৰ্য্যও চেচা হবগৈ। যি সূৰ্য্য আমাৰ প্ৰাণ-স্বৰূপ সেই সূৰ্য্যৰ শক্তি লোপ হোৱাৰ লগে লগে এই সৌৰজগতত সৃষ্টি হোৱা বৰ্ত্তমান কালৰ প্ৰাণীসমূহ লুপ্ত হব। কিন্তু সি যুগযুগান্তৰ কথা ;—আমি ভয় কৰিবৰ কোনো কাৰণ নাই। সৌৰজগৎ শূন্যৰ কেৱল এক প্ৰদেশতে থিৰ হৈ আছে এনে ভাব ভ্ৰান্তিমূলক। পুৰণি কালৰ তাৰকাচিত্ৰ বৰ্ত্তমান তাৰকাচিত্ৰেৰে মিলাই চোৱাত চাৰিওপিনৰ তৰাবিলাক পিছ হুহঁকি যোৱা দেখা



গৈছে ; কিন্তু আগৰ আৰু পাছৰ তৰাবিলাক একে ঠাইতে থকা যেন দেখা গৈছে। ইয়াৰপৰা বুজিব পাৰি যে এই গোটেই সৌৰজগতখন শূন্যমণ্ডলৰ একে ঠাইতে থিৰেৰে থকা নাই। আৰু দেখা যায় ই "হাৰ্কিউলিচ" ( Hercules ) নক্ষত্ৰপুঞ্জৰ পিনে চেকেণ্ডত প্ৰায় ৫ মাইল বেগেৰে যাব লাগিছে। আলোক-বিশ্লেষণ যন্ত্ৰৰ সাহায্যেৰেও এই ... পোৱা গৈছে। এই যন্ত্ৰৰ সহায়েৰে আৰু দেখা যায় যে আন ... বিলাকো নানা দিশলৈ যাব লাগিছে। যদি এয়েই হয়, অৰ্থাৎ যদি কোনো নিয়মিত পথত নক্ষত্ৰবিলাক ঘূৰি ফুৰা নাই তেনেহলে এনে এটা সময় আহিব পাৰে যেতিয়া দুটা নক্ষত্ৰই পৰস্পৰৰ আকৰ্ষণত দুপিনৰপৰা আহি সংঘৰ্ষণ কৰিব পাৰে।

তেতিয়া কি হব ? সূৰ্য্যৰ সমান দুটা প্ৰচণ্ডবেগী পদাৰ্থ পিণ্ড আহি মহাবেগেৰে সংঘৰ্ষিত হলে সিহঁত তৎক্ষণাৎ ধূলিস্যাৎ হব। কেৱল সেয়ে নহয়, সেই দুটা শৰীৰৰ গতিশক্তি লোপ পোৱাত ইমান তাপ উৎপন্ন হব যে এটা বৃহৎ অগ্নিকাণ্ড হৈ যুগ যুগান্তৰলৈ জ্বলি থাকিব। আৰু গোটেইবোৰ পদাৰ্থ বাষ্প ৰূপে পৰিণত হব। এয়েই এটা সৃষ্টিৰ শেষ, আৰু এয়েই আন এটা নতুন সৃষ্টিৰ পাতনি—যেতিয়াই শেষ, তেতিয়াই আৰম্ভ।

যদিও আমি এই সূৰ্য্যমণ্ডলৰ গ্ৰহ উপগ্ৰহৰ মাজত বা আমাৰ পৰিচিত তাৰকামণ্ডলতো এনে ধ্বংসৰ কোনো প্ৰমাণ পোৱা নাই তথাপি ইয়ে ঘটিব পাৰে তাৰ বিশেষ কাৰণ পোৱা গৈছে। তাৰে কেটামান তলত দিয়া গল।

(১) ধূমকেতুৰপৰা ভয় :—১৮৩২ খৃষ্টাব্দত জ্যোতিষীসকলে গণনা কৰি পালে যে এটা ধূমকেতু পৃথিবীৰ কক্ষেদি পাৰ হব। তেতিয়া সাধাৰণ মানুহৰ বৰ ভয় আৰু বিস্ময় উৎপাদন হৈছিল ; কিন্তু যথাৰ্থতে ভয়ৰ কোনো কাৰণ নাছিল ; কাৰণ কক্ষ পাৰ হবৰ সময়ত ধূমকেতু আৰু পৃথিবীৰ মাজত ৫৫ লাখ মাইলৰ ব্যৱধান আছিল।

হেলীৰ ধূমকেতুৰ নেজৰ ভিতৰত পৃথিবী প্ৰবেশ কৰা আৰু সেই সময়ত মানুহৰ ভয়ৰ কথা সকলোৱেই জানে।

(২) উল্কাপাত :—বোধকৰোঁ বহুতে দেখিও নেদেখে যে আমাৰ পৃথিবীত নিতৌ হাজাৰ হাজাৰ আকাশী ক্ষুদ্ৰ জগৎ ধ্বংস হব লাগিছে। এই

অতি ক্ষুদ্ৰ জগৎবিলাক আমাৰ নিচিনা প্ৰাণীৰ বাসোপযোগী নহয়। তথাপি এইবিলাকো একো একোখন জগৎ; আৰু অন্যান্য বৃহত্তৰ জগতৰ দৰে ইহঁত শূন্যত ভাহি ফুৰে।

উল্কাপাতৰ কথা সকলোৰেই জানে। যদি এদিন মেঘহীন ৰাতি কোনোবাই আকাশলৈ মন কৰি থাকে, তেওঁ দেখিব যে হঠাৎ একো একোটা উজ্জ্বল পদাৰ্থ আকাশ উজ্জ্বল কৰি পোহৰকৈ অলপ দূৰ গৈয়েই মাৰ যায়। এই মাৰ যোৱাৰ লগে লগে সেই সৰু জগতবো লোপ হয়। এইবিলাকক আমি পপীয়াতৰা বা উল্কা বুলি জানো। ইহঁত বাস্তৱতে ওপৰত কোৱা মতে তৰা কেতিয়াও নহয়। আমি কেতিয়াও ভাবিব নালাগে যে এই মহাশূন্যত কেৱল পৃথিবী, সূৰ্য্যৰ নিচিনা বৃহদাকাৰ জগৎ হে থাকিব পায়। পৃথিবীত যেনেকৈ গজহস্তীৰপৰা সৰু পৰুৱালৈকে থাকে সেই দৰে শূন্যমণ্ডলতো বৃহৎ নক্ষত্ৰৰপৰা ক্ষুদ্ৰতম ৰেণুলৈকে বৰ্ত্তমান। এই উল্কাবোৰ সৰু সৰু পদাৰ্থখণ্ড মাথোন। ইহঁত মাছৰ জাকৰ দৰে জাক বান্ধি শূন্যমণ্ডলেদি ঘূৰি ফুৰে। কিছুমান উল্কাৰ জাক সূৰ্য্যৰ চাৰিওপিনে কোনো নিৰ্দ্দিষ্ট কক্ষত ভ্ৰমি ফুৰে।

যেতিয়া কোনো উল্কাৰ জাক পৃথিবীৰ ওচৰ চাপে তেতিয়া তাৰ প্ৰবল আকৰ্ষণত ক্ৰম-বৰ্দ্ধিত বেগেৰে (accelerated motion) পৃথিবীত পৰিবলৈ ধৰে। কিন্তু ইহঁতৰ বেছি ভাগেই পৃথিবীৰ ওপৰভাগত নৌ পৰোঁতেই বতাহৰ মাজেদি অহাত বতাহৰ লগত ঘৰ্ষণ খাই জ্বলি পুৰি বাষ্প হৈ যায়; সেইদেখি আমি সিহঁত বতাহৰ মাজেদি অহোঁতে উজ্জ্বলময় দেখোঁ, কিন্তু যিমান পৰ পৃথিবীৰ বতাহৰ বাহিৰে থাকে সিমান পৰ সিহঁতক দেখা নাপাওঁ। ইয়াৰে যিবিলাক ডাঙৰ ডাঙৰ সেইবোৰ বায়ুমণ্ডলৰ ঘৰ্ষণত সৰু হৈ গৈ পৃথিবীত পৰিব পাৰে।

পৃথিবীত পৰা উল্কাৰ সংখ্যাও ইমান বেছি যে তাৰ হিচাপ শুনিলে আচৰিত হব লাগে। দিনো অন্ততঃ ৭২ লাখ উল্কা বায়ুমণ্ডলৰ মাজেদি যায়হি। এই উল্কাবোৰক বৈজ্ঞানিকসকলে বিশেষৰূপে পৰীক্ষা কৰি চাইছে। এইবিলাকত পাৰ্থিব ভিন্ন আন কোনো পৃথক পদাৰ্থ পোৱা নাই। গন্ধক, লো, অঙ্গাৰ আদি পোৱা গৈছে।



(৩) এই বিদেশী উল্কাই আহি বৈজ্ঞানিকসকলৰ হাতত পৰি অনেক গুপুত তথ্য বাহিৰ কৰি দিছে। যথা,—ৰাসায়নিক প্ৰকাৰে হীৰা প্ৰস্তুত কৰা বুদ্ধিও এই উল্কা পৰীক্ষা কৰিহে পায়। এইবিলাক পৰীক্ষা কৰোঁতে উদ্ভিদ-জাত বস্তুৰ চিন পোৱা গৈছে। যদি এয়ে হয় তেন্তে এটি আচৰিত তথ্য প্ৰকাশ পায়। এই সৰু সৰু বায়ুহীন উল্কাপিণ্ডত প্ৰাণী জগতৰ চিন কৰপৰা ওলাল? নিশ্চয় ই কোনো পৃথিবীৰ নিচিনা প্ৰাণী-জগতৰ ধ্বংসাৱশেষ—ধ্বংস হবৰ সময়ত বিক্ষিপ্ত পদাৰ্থখণ্ড। তেনে হলে ইয়াৰ পৰা অনুমান কৰিব পৰা যায় যে এই ঈশ্বৰৰ ৰাজ্যত পৃথিবীয়েই কেৱল প্ৰাণী-জগৎ নহয়; অন্যান্য বাসোপযোগী গ্ৰহ উপগ্ৰহতো প্ৰাণী বৰ্ত্তমান আছে আৰু আছিল। আৰু ইয়াৰপৰা বুজা গল যে পৃথিবীৰ নিচিনা ডাঙৰ জগতবো ধ্বংস হব পাৰে।

(৪) জগৎ ধ্বংসৰ আৰু এটা ভিন কাৰণ আছে বুলি সম্ভৱপৰ অনুমান কৰিব পাৰি। এংকিৰ ধূমকেতু বুলি এটা ধূমকেতুৱে বৰ আচৰিত ৰকমে ব্যৱহাৰ কৰে। আমি জানো যে কোনো এটা পদাৰ্থৰ গতিৰ প্ৰতিবন্ধক নাথাকিলে সি সূৰ্য্যৰ চাৰিওপিনে ঘূৰোঁতে ঠিক একে সময় লব। কিন্তু এই ধূমকেতু প্ৰত্যেক আবৰ্ত্তনলৈ গণিতৰ সহায়েৰে পোৱা নিয়মিত সময়ৰ দুঘণ্টা ১৫ মিনিট আগেয়ে পায়হি। এই আচৰিত ঘটনাৰ বৈজ্ঞানিক সকলে এতিয়াও ভাল সমিধান দিব পৰা নাই। নানা সমিধানৰ ভিতৰত এই এটা,—আমি সূৰ্য্য তৰা আদিৰপৰা অহা তাপ আৰু পোহৰ বা পৃথিবীৰ ওপৰৰ তাপৰ কিৰণ (heat rays) আৰু পোহৰ এক ৰকম ঢৌ বুলি সিদ্ধান্ত কৰিছোঁ। এইটো অৱশ্যে বতাহত সম্পাদিত হব নোৱাৰে। কাৰণ পৃথিবী আৰু সূৰ্য্য বা তৰাৰ মাজত বায়ু নাই। সেই কাৰণে শূন্য "ঈথৰ" (ether) নামেৰে এক ৰকম পদাৰ্থেৰে পৰিপূৰ্ণ বুলি অনুমান কৰা হৈছে। এই ঈথৰ ঘৰ্ষণহীন (frictionless) বুলি ভবা গৈছিল। কিন্তু ধূমকেতুৰ এনে ব্যৱহাৰ দেখি কোনোৱে ভাবে যে ই একেবাৰেই ঘৰ্ষণ-শূন্য নহয়। ই অতি কম মাত্ৰাত বস্তুৰ গতি প্ৰতিৰোধ কৰিব পাৰে। এই এংকিৰ ধূমকেতুটো বৰ সৰু; সেইহেতু ঈথৰৰ প্ৰতিৰোধ হেতু ইয়াৰ গতি অন্যান্য ধূমকেতুৰ তুলনাত কমি যায়। গতি এইবাৰে কমি যোৱাত

সূৰ্য্যৰ আকৰ্ষণত সূৰ্য্যৰ পিনে কাষ চাপি আহে। গতিকে মধ্যাকৰ্ষণ-জাত উৎপাদিকাশক্তি (potential energy) নষ্ট হোৱাত চলনশক্তি বৃদ্ধি হৈ আগতকৈও বেছি বেগেৰে ঘূৰিবলৈ ধৰে। সেইহেতু সূৰ্য্যৰ চাৰিওপিনে এবাৰ ঘূৰোঁতে আগতকৈ কম সময় লাগে। কথাটো বুজিবলৈ হলে গুটি এটা ডোলোৰে বান্ধি ঘূৰালেই বুজা যাব। গুটিটো ঘূৰাই থাকোঁতে যদি ডোলডাল আঙ্গুলিত পাক খুৱাই চুটি কৰা যায়, তেন্তে দেখিম যে গুটিটোৰ ঘূৰ্ণনবেগ ক্ৰমাৎ বেছি হবলৈ ধৰিব।

এতিয়া ঈথৰৰ প্ৰতিৰোধ ক্ষমতা আছে বুলি ধৰিলে কি হয় দেখা যাওক। সূৰ্য্যৰ চাৰিওপিনে ঘূৰা গ্ৰহবোৰৰ গতিক ঈথৰে অলপ নহয় অলপ প্ৰতিৰোধ কৰিছে। তেনেহলে পৃথিৱী আদি গ্ৰহবিলাক সূৰ্য্যৰ পিনলৈ লাহে লাহে কাষ চাপি আহিবলৈ ধৰিছে। যদিও আমি তত ধৰিব পৰা নাই, নিশ্চয় কোনো একালত নহয় কোনো একালত আমাৰ পৃথিৱী সৰ্পকুণ্ডলী সদৃশ পথেদি সূৰ্য্যৰ কাষ চাপি গৈ গৈ শেহত সূৰ্য্যতে মাৰ যাব গৈ! আন আন গ্ৰহৰো সেই গতি হব।

এই খিনিতে পাঠকসকলৰ মনৰ এটা সংশয় ভঞ্জন কৰা যাওক। ওপৰত কৈ অহা কথাবিলাকৰপৰা কাৰোবাৰ মনৰ এটা ভাব হব পাৰে যে আমাৰ পৃথিৱীৰ ধ্বংসৰ বেছি দিন নাই। সেই কাৰণে আমি কাম-কাজ এৰি মনে মনে বহি থকাই উচিত। কিন্তু এনে ভাব অতি অমূলক। যদি সৌৰজগতৰ গতি-বিধি ওপৰত কৈ অহাৰ নিচিনা হয়, তথাপিতো সেই গতি-বিধি ইমান ক্ষুদ্ৰ যে আমাৰ হাতত থকা কোনো যন্ত্ৰেৰেই তাৰ তত ধৰিব নোৱাৰি। আৰু গণনা মতেও পৃথিৱী ধ্বংসৰ সময় ইমান দূৰ ভৱিষ্যতত যে বৰ্ত্তমানত আমি জ্ঞানৰ পৰিসৰ বঢ়াই নিজৰ আৰু দেশৰ উন্নতি সাধিবৰ বাবে যথেষ্ট অৱসৰ বৈছে।

শ্ৰীলক্ষ্মীনাথ দাস।

---

সি আজি বহুদিনৰ কথা। মোৰ অতীতৰ মোহন সৌন্দৰ্য্য, বাল্যজীৱনৰ সুখ-দুঃখটিক বি এডোখৰ কলা ডাৱৰৰ ঘোৰ আন্ধাৰে ছাটি পেলাইছিল তাৰে কথা। মোৰ জীৱনৰ আধ্যাচেৰেকৰ ভিতৰত সিও এটি। জন্মৰ পৰা মৃত্যুলৈকে মানুহৰ এনে এডাল শিকলি ব্যাপি আছে যে সি গুৰিতেই হওক বা মাজডোখৰতে হওক অলপ জোঁকাৰ খালেই গোটেইডাল শিকলি লৰিবলৈ ধৰে— মানুহৰ মনত তোলপাৰ লগাই দিয়ে। হব পাৰে ইয়াৰ অন্ত অনন্তত, হব পাৰে ই পাৰ্থিব মৰণতে ওৰ নপৰা। মই দাৰ্শনিক বা কবি নহওঁ যে হয় বুলি ডাঠি কব পাৰোঁ,— হোৱা হলে মোৰ এই তুচ্ছ জীৱনৰ প্ৰহেলিকাময় কাহিনী লৈ আপোনালোকৰ আগত দাঙি ধৰিবলৈ চেষ্টা নকৰিলোঁহেতেন; হোৱা হলে, মই দৰ্শনশাস্ত্ৰ মথি পৃথিৱীৰ এমূৰৰ পৰা সিমূৰলৈ সকলোকে চমক লগালোঁহেতেন, বৰ্ত্তমান যুগৰ দৰ্শনশাস্ত্ৰ-বিৎ পণ্ডিতসকল মোৰ নামৰ বহুত তল পৰি থাকিলহেঁতেন; কবি হোৱা হলে মই অমৰ কবি হৈ যুগান্তৰ উপস্থিত কৰিলোঁহেতেন—শীত কালতে বসন্তৰ সমাগম, অমাবস্যা ৰাতিতে জোনৰ উদয় হলহেঁতেন আৰু প্ৰকৃতিৰ কামাবনৰ কমনীয় ৰাজ্যত বহি ভাবৰ লহৰি তুলি আপোনাৰ অস্তিত্ব পাহৰিলোঁহেতেন।

ঈশ্বৰৰ বিচিত্ৰতাময় সংসাৰৰ এনে নিয়ম নহয় যে সকলোৰে ভাগ্যৰবি সকলো সময়তে একে দৰে জ্বলিব। এনে নিয়ম নহয় যে সকলো প্ৰাণীৰে জীৱন চিৰকাল সমানে চলিব। আজি যি উচ্চ অট্টালিকাত বাস কৰি মোহমন্দিৰৰ বিলাস ভোগত মতলীয়া, কাইলৈ হয়তো তেওঁ বাটৰ মগনীয়াৰৰ দৰে তৃষ্ণাতুৰ হৈ পানী এটুপিৰ নিমিত্তে দুৱাৰে দুৱাৰে হাত জোৰ কৰি ফুৰিব লগা হব পাৰে। ই প্ৰকৃতিৰ ৰীতি। সৃষ্টিৰ আৰম্ভৰেপৰা এই নিয়ম যুগ-যুগান্তৰলৈ চলি আহিছে আৰু আহিব।—সেয়েহে কৈছোঁ, দাৰ্শনিক বা কবিৰ জীৱনৰ লগত মোৰ জীৱনৰ তুলনা হব নোৱাৰে।

আশাতে মানুহৰ প্ৰাণ। জীৱনৰ শেষ ছোৱালৈকে, জীৱনতৰী বুৰিবলৈ ক্ষন্তেক মাত্ৰ সময় থকালৈকে ই কবলৈ নেৰে, "এতিয়াও সময় আছে"; কবিয়ে সেইহে গাই গৈছে।

"দিন যামিন্যৌ সায়ংপ্ৰাতঃ
শিশিৰ বসন্তৌ পুনৰায়তঃ
কালঃ ক্ৰীড়তি গচ্ছত্যায়ুঃ
তদপিনমুঞ্চত্যাশা বায়ুঃ।
অঙ্গং গলিতং পলিতং মুণ্ডং
দন্ত বিহীনং জাতং তুণ্ডম্।
কৰধৃত কম্পিত শোভিত দণ্ডম্
তদপি ন মুঞ্চত্যাশাভাণ্ডম্।"

ভবিষ্যতৰ বাওলি ছবিখনি আকোঁতে মোকো ই কবলৈ এবা নাছিল যে "চেষ্টাৰ অসাধ্য একো নাই"; কিন্তু মোৰ নিচিনা দুৰ্ব্বল প্ৰাণীয়ে সেই মহতী কথাৰ অৰ্থ বুজিব নোৱাৰিলে,—বুজিবলৈ মোৰ শক্তি নাছিল, নহলে আপোনালোকে এই প্ৰবন্ধটোৰ শিতানত লোৱা নামটোকে শুনিবলৈ নপালেহেঁতেন—মোৰ এই মৰ্ম্মভেদী শোকৰ কাহিনী কবলৈ আজৰি পালোঁহেতেন কেনেকৈ?

জগৎ পৰিবৰ্ত্তনশীল। আকাশৰ জোন তৰাৰপৰা পৃথিবীৰ কীট পতঙ্গলৈকে সকলো ইয়াৰ তলতীয়া। জোনৰো বঢ়া টুটা আছে, নলিনী-পতিৰো এমূৰৰপৰা সি মূৰলৈকে ঠাই সলনি আছে। দিনৰ পিছত ৰাতি, লগে লগে ঋতু পৰিবৰ্ত্তন, তাৰ লগতে গছ-গছনি নৰনাৰীৰ অৱস্থান্তৰ হৈছে। গোন্ধত আমোল-মোলোৱা ফুলপাহি এদিন ক্ষুদ্ৰ কলি এটিহে আছিল, তাৰ পিছত অৰ্দ্ধ প্ৰস্ফুটিত হল, তাৰ পিছতহে সম্পূৰ্ণৰূপে ফুলি বতাহত নাচি নাচি হালিজালি জগতক সৌৰভ বিলাই লাহে লাহে লেৰেলি শুকাই মাটিত সৰি পৰে।

নৰ-নাৰীৰো প্ৰথমে কেচুৱা, তাৰ পিছত কিশোৰ কিশোৰী অৱস্থা লাভ; কুমলীয়া বয়সৰ অমিয়া সনা মধুৰ মাতেৰে কিশোৰ কিশোৰীয়ে লোকৰ মন প্ৰাণ জুৰায়। ইয়াৰ পিছত যৌবন প্ৰাপ্তি। তেওঁলোকে যৌবনৰ



ধুনীয়া ছবি দুটি লৈ ফুলৰ দৰে নাচিবলৈ ধৰে, অন্তৰত ভাব-ঢৌ উঠে; দুয়ো দুয়োৰে পবিত্ৰ হিয়া দুখনিত কত সুখৰ ছবি আঁকিবলৈ ধৰে; ক্ৰমে গাৰ্হস্থ্য জীৱন আহি উপস্থিত, সেই সুখময় জীৱনত তেওঁলোক বিভোৰ। সহঁাৰি নিদিয়াকৈয়ে বাৰ্দ্ধক্য আহি উপস্থিত; দুয়ো ঘূৰি চায়—কি কাম নো তেওঁলোকে সাধিলে? শেহত ঈশ্বৰ চিন্তাত নিমগ্ন।

ময়ো এদিন লৰা বয়সত কত নাচিছিলোঁ, কত হাঁহিছিলোঁ, কত লোকৰ প্ৰাণ জুৰাইছিলোঁ! সেইদিন আৰু নাহে। সংসাৰৰ কুটিলতা আৰু ফাঁকি কাক বোলে সেই কালত মই নাজানিছিলোঁ, হিয়াত নিস্বাৰ্থ স্বৰ্গীয় ভাল পোৱাৰ সোঁত বৈছিল মাথোন; কিন্তু এই সকলোৰে অধিকাৰী মই কেনেকৈ হৈছিলোঁ? কোনে তাপিত জীৱনত কমণ্ডলুৰ পানী চটিয়াই প্ৰাণ শাঁত কৰিছিল! হায়! এই সকলো সুখৰ মোক গৰাকী কৰাৰ গুৰিত সেই গাম্ভীৰ্য্যপূৰ্ণ চেনেহৰ প্ৰতিমূৰ্ত্তি মাতৃদেৱী। লগৰ লগৰীয়াৰ লগত যেতিয়া নানা ক্ৰীড়া কৰি মই ক্লান্ত হৈছিলোঁ, তেতিয়া এই সুখৰ নিজৰাটিয়ে ক্লান্তি দূৰ কৰি মোৰ তপত গা চেঁচ কৰিছিল। এই মূৰ্ত্তিমতী দয়াৰ কোলাত শুই মই সুখৰ সপোন দেখিছিলোঁ; আকাশতে টঙিঘৰ সাজিছিলোঁ। অতীত আৰু ভবিষ্যৎ নাথাকি যদি সেই "বৰ্ত্তমানেই" থাকিলহেঁতেন!

সময়ে কালৈ বাট চাই থাকে? ঢৌৱে বা মানে কাৰ? মোৰ সুখৰ লৰাকাল গল, চেনেহৰ প্ৰতিমূৰ্ত্তি অদৃশ্য হ'ল। সময়ৰ আচৰিত সলনিৰ বা মোৰ গাত লাগিল; ঋতু পৰিবৰ্ত্তনৰ লগতে ময়ো মোট সলালোঁ। এদিন ভাবিছিলোঁ পৃথিবীখন ঘূৰণীয়া; লাহে লাহে গম পালোঁ ই দুমূৰে অলপ চেপেটা। লৰাকালীয়া কথাবোৰ এতিয়াও মোৰ মনত আছিল। মনত আছিল সেই সোণাময় কালত মোৰ নিজ হাতে ৰোৱা ফুলগছবোৰৰ সুগন্ধ ফুলবোৰ দেখি বৰ ভাল পোৱা; জনা নাছিলোঁ তাত পোক আছে বুলি। সেই কালতো দেখিছিলোঁ কলকলনাদী নৈৰ ৰূপালি পানী, আৰু দেখা মনত আছে, বাৰিষা যেতিয়া পানীৰে নৈ উপচি পৰে। সেই নীৰৱ কবিতা শুনি মোৰ বৰ ভাল লাগিছিল, কিন্তু জনা নাছিলোঁ, সেই স্ৰোত-স্বতীৰ গৰ্ভত কুম্ভীৰ ঘৰিয়াল আদি হিংসুক জন্তুবোৰ থাকে বুলি। দুবৈৰ

অম্বৰচুম্বী গিৰিশৃঙ্গ দেখি মোহ গৈছিলোঁ, তেও জনা নাছিলোঁ সিংহ, বাঘ, আৰু বিষধৰ সৰ্পই তাত বাস কৰে বুলি; গগনবিহাৰী কুলিৰ অমিয়া তান শুনি আপোন-পাহৰা হৈ ভাবিছিলোঁ, এই সংসাৰ সুখৰ খনি, ইয়াত দুখ নাই, বেজাৰ নাই; যেনিয়ে চাইছিলোঁ তেনিয়ে জগত সৌন্দৰ্য্যেৰে ভৰপূৰ দেখিছিলোঁ, বুজা নাছিলোঁ সংসাৰৰ কুটিলতা, নাজানিছিলোঁ ইয়াত স্বাৰ্থপৰতা আৰু নীচতাই ৰাজত্ব কৰে বুলি।

সেই কাল আৰু গল। কান্দি গছৰ পাত সৰালেও সি ঘূৰি নাহে। সিদিন আৰু আজিৰ ভিতৰত ইমান দূৰত্ব হল যে মই তাক ভাবিবকে নোৱাৰোঁ। তাহানিৰ কথা আজি মোৰ কল্পনাৰ সুখ, নিশাৰ সপোন যেন লাগে।

মোৰ ঘোৰ মনোবিকাৰ উপস্থিত হ'ল; পিতৃ মাতৃ বিয়োগেই ইয়াৰ প্ৰধান কাৰণ, ডাঁৰি কৰিবলৈ মোৰ কোনো নাইকিয়া হ'ল, ভক্তি আৰু ভয়ৰ অভাৱত মোৰ চৰিত্ৰৰ আচৰিত সলনি হ'ল।

বহিৰ্জগৎ আৰু অন্তৰ্জগতৰ গঠন প্ৰণালীৰ আদিম অৱস্থা জানো আমি কেতিয়াবা দেখো? মোৰ অন্তৰৰ নতুন ভাব গঠনৰ প্ৰথমাৱস্থা, নতুন স্বভাৱৰ আৱৰ্ত্তন মই মন কৰিব নোৱাৰিলোঁ।

যৌবন মদেৰে মত্ত আৰু উচ্ছৃঙ্খল হৈ মই যি পাপ কামত হাত দিছিলোঁ তাৰ সোঁৱৰণেয়েই আজি মোক বিতত কৰি তুলিছে। লৰা কালৰ সেই নিস্বাৰ্থ সুখ আৰু নিখুঁত ভাল-পোৱাৰ কথা মই তেনেই পাহৰিলোঁ। মোৰ কুমতি সুমতি দুই প্ৰবৃত্তিৰ ভিতৰত তুমুল যুঁজ লাগিল; সুমতি-বিজেতাই বিজয় নিচান তুলি আনন্দত থলকনি লগালে। বাল্যজীৱন পাৰ হৈ যৌৱাৰ এওছৰৰ অন্ত হবলৈ পাওঁতে নৌ পাওঁতেই সুমতি অন্তৰ্হিত হ'ল। সুমতিৰ সেই জ্যোতিৰ্ম্ময় পোহৰ হঠাৎ অন্তৰ্দ্ধান হল। সেই স্বৰ্গীয় জেউতিৰ ঠাইত মোৰ গাত আহি কি এক ভৌতিক জ্যোতিৰ আৱিৰ্ভাব হলহি, কি এক অপৰূপ, মনোহৰ ৰূপত মই ভোল গলোঁ। ৰমাকান্তৰ পাপময় অৰ্থচ মধুৰ বাক্যত মোৰ তৃপ্তি জন্মিল। তেওঁৰ মনোমোহন ব্যৱহাৰত মোৰ স্পৃহা হ'ল, তেওঁৰ সুমধুৰ অথচ অমাৰ্জ্জিত গীতৰ তালে তালে মই নাচিলোঁ। কাম, ক্ৰোধ, লোভ আদি অধম বৃত্তিবোৰৰ মই অধীন হলোঁ। পৰস্ত্ৰীকাতৰতা, নিৰপৰাধীজনক



মোৰ কু-স্বভাৱৰ গৰৰীয়া হৰা দস্তৰ মোৰ প্ৰকৃতিৰ দ্বিতীয় শাৰীলৈ উঠিল। অনাচাৰী, বিধৰ্ম্মী হৈ মোৰ পবিত্ৰ ধৰ্ম্মত মই নেওচা দিলোঁ। শুভাকাঙ্ক্ষীসকলৰ হিতোপদেশ শুনি মই বিদ্ৰূপ বাণীৰে তাৰ সমিধান দিলোঁ।

অত্যাচাৰ আৰু অনিয়মীয়া আচৰণত মোৰ বাপতীয়া সম্পত্তিৰ অন্ত পৰিল; দৰিদ্ৰতাৰ ঘোৰ মূৰ্ত্তি মোৰ ওচৰত আহি থিয় হ'ল। অত্যাচাৰৰ বাকী নাথাকিল, ঈশ্বৰ প্ৰদত্ত মোৰ ধুনীয়া শৰীৰটিত মই নিজহাতে চোকা তৰোৱালেৰে কোব মাৰিলোঁ। আদি দৰ্শনৰেপৰা মই জগতৰ যি সৌন্দৰ্য্যত মোহ গৈছিলোঁ, সেই সুখোন্মাদি সৌন্দৰ্য্যত মোৰ বিৰাগ উপজিল। লাহে লাহে পাপৰ চাৰি সীমাৰ দুই সীমা মোৰ কৰায়ত্ব হ'ল। পৰম কৰুণাময় পৰমেশ্বৰৰ প্ৰতিকৃতি মোৰ মুখৰপৰা আঁতৰিল। চাওঁতে চাওঁতে মোৰ জীৱন-মন্দাকিনী কৰৱাৰপৰা পাপ-সলিল মিহলি হৈ অশুচি হল।

পাপ-মদিৰাৰ সোৱাদ যিয়ে এবাৰ লৈছে তাক কি আৰু সি সোনকালে এৰিব পাৰে? এই মদিৰাই মোৰ অন্তৰ জুৰিলে; চাওঁতে চাওঁতে বিষে গোটেই শৰীৰ ভেদিলে। উঃ বিষৰ কি বেদনা তাক ভুক্তভোগী বিনে কোনে বুজিব? ঘুণে-খোৱা বাঁহৰদৰে মোৰ শৰীৰ চিৰদিনলৈ ঘুণীয়া হল। বিষধৰৰ হলাহলে গোটেই দেহা বিয়াপি মূৰ পালেহি, মই চট্-ফটাবলৈ ধৰিলোঁ।

জীৱনৰ দুপৰতে আয়ুসূৰ্য্যাক অলপ ক্ষীণ ভাৱৰে ঢাকিবলৈ আৰম্ভ কৰিলে, আৰু অলপৰ পিছতে সন্ধ্যা উপস্থিত হয় হয় যেন দেখিলোঁ, কিন্তু কি হ'ব মোৰ পঙ্কময় জীৱনৰ ওৰ নপৰিল, মোৰ এতিয়াও অনুতাপ নহল!

ৰমা বহুত দিন দেশান্তৰিত হৈ আছিল; মোৰ পাপবহ্নি কিছু পৰিমাণে শুমাই আছিল; সুখৰ ক্ষীণ ৰেণুৱে ভুমুকি মাৰিছিল মাথোন, এনেতে আকৌ তাৰ প্ৰতিবন্ধক হ'ল। যি মোৰ পাপময় জীৱনৰ পাতনি দি তাৰ আৰম্ভনটোৰ সৰ্জুলি গোটাই ঠিক কৰি দিছিল, যাৰ নিমিত্তে মই মোৰ চেনেহৰ, পবিত্ৰতাৰ অধিষ্ঠাত্ৰী দেৱী সেই মাতৃ মূৰ্ত্তি পাহৰি অধৰ্ম্মৰ কাঁইটীয়া বাটত খোজ লৈছিলোঁ, যাৰ স্ফুচুলনিত মই নিঃসঙ্কোচে লাজ-কাজ এৰি ঘৃণনীয় কামত হাত দিবলৈ কোঁচ নাখাইছিলোঁ আৰু যাৰ উদগনিত মোৰ

চলিত পবিত্ৰ ধৰ্ম্মত কুঠাৰ মাৰিবলৈ কুণ্ঠিত নহৈছিলোঁ, সেই পাষণ্ড, নৰ-পিশাচ, নিষ্ঠুৰ, নিৰ্ম্মম ৰমাক আজি মই বহুত দিনৰ মূৰত আকৌ দেখা পালোঁ, ইমান দিন ঢিমিকি ধকা পাপ-জুই আকৌ পূৰ্ণ মাত্ৰাত জ্বলি উঠিল।

পাপ পুণ্যৰ চিৰ-শত্ৰুতা কোনে ভাবে? দুৰ্জ্জয় পৰাক্ৰমেৰে পাপে পুণ্যৰ কোমলতাৰ ওপৰত অস্ত্ৰ বৰিষণ কৰে। পুণ্যই কিন্তু তাৰ ছাঁটোকো নসহে; পাপৰ ভীষণ মূৰ্ত্তি দেখি দূৰতে পলায়—অলক্ষিতে পুণ্যই যেতে মেলানি মাগিলে; সেই পাপ মূৰ্ত্তি মোৰ হিয়াৰ ফলিত অঙ্কিত থাকিল—সেই হে মই ৰমাকান্তৰ ছাঁৰ দৰে হৈ পৰিছিলোঁ।

কিন্তু ই কি? ৰমাৰ গোটেই মুখমণ্ডলত বেজাৰৰ বেখা কিয়? দুৰ্ব্বোৰ অন্যায় অধৰ্ম্ম কৰি আজি তেওঁৰ অনুতাপ হৈছে নে কি? যাওক সেইবোৰ কথা—সেইবোৰ ভাবিবলৈ মোৰ এতিয়াও শক্তি হোৱা নাই।

ৰমাকান্ত আহিল। মোৰ ওচৰলৈ আহি তেওঁ এদিন মোক ফুৰিবলৈ লগ ধৰিলে; বহুত দূৰলৈ বুলি আমি খোজ ললোঁ। অলপ পিছতে বহুদূৰ বিস্তৃত পৰ্ব্বত শ্ৰেণী আমাৰ দৃষ্টিগোচৰ হ'ল—থাক হল সেই আকাশমণ্ডলে গিৰিশৃঙ্গক মৰমত আকোঁৱালি ধৰি চুমা খোৱা; অস্তগমনোন্মুখ সূৰ্য্যৰ আধা আলো আধা ছাঁৰে আবৃত গছবোৰ আৰু গছৰ গুৰিত সৰ্ব্বশক্তিমানে কুমলীয়া সৰু সৰু বনেৰে দলিছা পাতি থোৱা ঠাইবোৰ; ওপৰে দিগন্ত-প্ৰসাৰী সুনীল গগন, তলত সোণালী ক্ষেত্ৰ তাৰ মাজেদি কুল কুলকৈ গান গাই যোৱা আপোন-পাহৰা পৰ্ব্বতীয়া জুৰি। মোৰ মন কোন অজান ৰাজ্যলৈ উৰি গল। মাজে মাজে ভাবিলোঁ, কোমলে কঠিনে কি অপূৰ্ব্ব মিলন! আজি বহুত দিনৰ মূৰত বিশ্বনিয়ন্তা করুণাময় পৰমেশ্বৰলৈ পাপীৰ মনত পৰিল, বহুত দিনৰ মূৰত প্ৰকৃতিৰ গম্ভীৰ মূৰতি দেখি মূৰ দোৱালোঁ।

অকোৱা-পকোৱা বাটেদি পৰ্ব্বতত সোমালোঁ, দুয়ো এটি শিলৰ ওপৰতে বহিলোঁ। ৰমাকান্তৰ সেই বেজাৰৰ কলা ডাৱৰে আবৰি পেলোৱা মুখ দেখি মোৰ বেজাৰ লাগিল। সতৃষ্ণ নয়নে তেওঁ মোৰ ফাললৈ চালে; কিয় চালে, কি কথা তেওঁ মোক কব খুজিছিল মই কব নোৱাৰোঁ, তেওঁ একো কব নোৱাৰিলে। বুজিলোঁ ই অনুতপ্ত হৃদয়ৰ নিভৃত স্থানৰ শোকৰ আবেগ। ৰমাই গালে—



"পৰিণাম পাহৰি, মায়াজালে পৰি,
অনুতপানলে দহিছে প্ৰাণ!
অতি দূৰে দূৰে পৰ্ব্বতকন্দৰে
বিষাদৰ সুৰে গাইছোঁ গান।
নিস্তব্ধ নিতাল বিশাল ধৰণী,
ঘোৰ অন্ধকাৰে ঢাকিছে মেদিনী,
পাপানলে প্ৰাণ জ্বলা কলা হ'ল,
কি উপায়ে হবি পাম পৰিত্ৰাণ"।—(সঙ্গীত কোষ)

সেই শোকৰ সুৰ গজ-গছনি কঁপাই বতাহৰ বোকোচাত উঠি অনন্তত লীন হল, সেই হিয়া ভাঙি নিয়া নিৰাশাব্যঞ্জক শোকৰ সঙ্গীত শুনি মোৰ মন নিৰাশ-সাগৰত ভাহিবলৈ ধৰিলে। কিছু পৰ নিতাল মাৰি থকাৰ পিছত পৰ্ব্বতৰ তলভাগৰপৰা ওপৰ ভাগলৈ উঠিলোঁ। পৰ্ব্বতৰ চূৰাৰপৰা দেখিলোঁ এক জলপ্ৰপাত; বহুত ওখৰপৰা কেৱা সোঁতা হৈ পৰ্ব্বতীয়া শিলা-ৰাশিক আস্ফালন কৰি নাচি নাচি ঘূৰি ঘূৰি পানী বৈ আহিছে। তলৰ পৰা তললৈ আহিছে মানে পানীৰ গৰ, গৰণি, কল্ কলনি বেছি হৈ উঠিছে। শেহত তললৈ চাব নোৱৰা এক গৰাৰপৰা সেই জলৰাশি এক হৈ বজ্ৰ নিনাদ কৰি তলি নেদেখা গুহাত পৰিছে গৈ, এই ঠাইলৈ আহিবলৈ কোনেও সাহ কৰিব নোৱাৰে; দৈবক্ৰমে ভৰি পিচল খালে নৰ প্ৰাণীৰ চিন-চাবকে পোৱা নাযাব।

পাতৰ মাজেদি জোনৰ পোহৰ আহি সেই জলৰাশিৰ ওপৰত পৰিছিল, কত বস্তু কত সাজেৰে বিভূষিত হৈ কি এক অপূৰ্ব্ব জ্যোতিৰ প্ৰকাশ হৈছিল। ঈশ্বৰৰ সৃষ্টি কি সুন্দৰ, কেনে মনমোহা; আত্মবিস্মৃত হৈ মই কত আছোঁ একেবাৰে পাহৰিলোঁ, মোৰ অস্তিত্বৰ সঁহাৰিকে নোপোৱা হলোঁ, মন্ত্ৰমুগ্ধ সৰ্পৰ দৰে কত পৰ আছিলোঁ কব নোৱাৰোঁ, কিন্তু হঠাৎ চমক খাই উঠিলোঁ, মোৰ গাৰ কঁপনি উঠিল—দেখিলোঁ ৰমা মোৰ ওচৰত নাই,—শিলৰ ওপৰেদি বগাই বগাই ৰমা কলৈ গৈছে? মোৰ প্ৰাণ শিয়ঁৰি উঠিল, মই অবাক নিস্পন্দ হলোঁ। ৰমা নাই; ৰমাৰ অশান্তিপূৰ্ণ দেহক সাবটি লৈ সে জলৰাশিয়ে নিজান তলিত শান্তি-শয্যা পাতি দিলে! মোৰ অন্তৰৰ অন্তস্থল ভেদি এটি নিৰাশাৰ হুমুনিয়াহ ওলাল মাথোন!

দিঠক নে সপোন একো তৎ ধৰিব নোৱাৰি মই শূন্য মনেৰে ঘৰলৈ উলটিলোঁ। মোৰ পাপৰ পৰাচিতৰ আৰম্ভন হল। দুৰ্ঘোৰ অনুতাপে মোক দগ্ধ কৰিলে; ইয়াৰ কি দাৰুণ পোৰণি, কি অসহ্য যন্ত্ৰণা তাক মই কি কম! ৰজাৰ শাস্তি ইয়াৰ আগত কি? তেওঁৰ দুৰ্জ্জয় অস্ত্ৰৰ প্ৰহাৰ ইয়াৰ তুলনাত কি?

সংসাৰ অসাৰ, জীৱন মিছা, ই নিশাৰ সপোন; ভাবি ভাবি মই ক্লান্ত হৈ পৰিলোঁ, মোৰ নিদ্ৰা হল, মই সপোন দেখিলোঁ। দেখিলোঁ যেন মই সেই পৰ্ব্বতীয়া শিলৰ ওপৰত বহি ৰমাৰ আবেগ-ভৰা হিয়াৰ শোকৰ সঙ্গীত শুনিছোঁ। তাৰ পিছত আকৌ সেই পৰ্ব্বতৰ চূড়াৰ ওপৰৰপৰা জল-প্ৰপাত দেখিলোঁ...একে একে মনত পৰিল সেই ৰমাৰ হঠাৎ অদৃশ্যৰ কথা; মই ভয়ত কঁপিবলৈ ধৰিলোঁ, এনেতে শুনিলো যেন বহুত ওপৰৰপৰা কোনো-বাই এটি ৰাগিনী ধৰিছে; লাহে লাহে মোৰ ওচৰ চাপি গীতৰ লহৰি নৈশ নিস্তব্ধতা ভেদ কৰি পৰ্ব্বতীয়া জুৰিৰ চেৰে চেৰে নাচি উঠিল। মই স্তম্ভিত হলোঁ। সেই কণ্ঠ যেন মোৰ চিৰপৰিচিত; সেই মাতৰ লগত যেন মোৰ পবিত্ৰতাময় বাল্যলীলাৰ ঘনিষ্ঠ সম্বন্ধ আছিল। এনেতে দেখিলোঁ অপূৰ্ব্ব স্বৰ্গীয় জ্যোতিৰে পৰ্ব্বতৰাশি আলোকিত কৰি এক দেৱী মূৰ্ত্তি এডোখৰ গহীন লতাই পাতে আবৰি থকা নিকুঞ্জৰ তলত বহিলহি, সেই মধুৰ মূৰত্তি দেখি মোৰ অনুতপ্ত হৃদয়ে কান্দি পেলালে, অতীতৰ কথাবোৰ একে একে মোৰ সোঁৰণী-পটত উদয় হল। মৰমতো পমি গৈ অভয় দি মোক সেই দেৱীমূৰ্ত্তিয়ে কলে, "সংসাৰ কবিৰ কাল্পনিক মোহন ঠাই নহয়, কৰ্ম্মক্ষেত্ৰ। মানুহ, সুখৰ কোলাত শুই থকা জীৱ নহয়, কৰ্ম্মবীৰহে। জীৱন প্ৰহেলিকাময় পানীৰ বুৰ-বুৰণি নহয়, ইয়াত সাধিব লগা বহুত কাম আছে। ধাৰ্ম্মিকলৈ সুখৰ সিংহাসন আছে, পাপীয়েও হৃদয় জুৰাবলৈ অনুতাপ আছে। জীৱনত ভূত ভবিষ্যত এৰি, বৰ্ত্তমানক সাৰোগত কৰি ঈশ্বৰৰ চৰণত অকপটীয়া ভাবে প্ৰাণ সঁপি দি তেওঁৰ আদিষ্ট কাম কৰাঁ, দেখিবা, সুখৰ জিলিকনিয়ে উজ্জ্বলৰপৰা উজ্জ্বলতৰ হৈ তোমাৰ জীৱন আনন্দত বিভোৰ কৰিব।"

— নগেন —

# জুগুলী।

## বৰবৰুৱাৰ বৰ কাকত

(AN YEARLY JOURNAL)

( সম্পাদকৰ কথা। )

আমাৰ দেশত কিছুমান নেতা আছে, তেওঁলোকে এখন অসমীয়া "কাকত" উলিয়াবলৈ হেনো কথন-মথন কৰিছে। তেওঁবিলাক বয়সীয়াল, বিজ্ঞ, আৰু বৃদ্ধ বুলি মই জানো; আৰু জানো যে তেওঁলোকৰ বয়সৰ বাবে চকুত চলিহাইও ধৰিছে আৰু চামনিও পৰিছে; কিন্তু বিত-চকুও তো বজাৰত নোলাই থকা নাই; টকাচেৰেক ভাঙি তেওঁলোকে কলিকতাৰ পৰা বিত-চকু জোৰচেৰেক কিনি নিনিয়ে কিয়? তিনিখন বাতৰি কাকতে তিনিমূৰীয়া বুঢ়া আসামৰ তিনটা মূৰ ধৰি থাকোঁতেই নো আকৌ এখন কাকত তেওঁলোকক লগা হল কিয় কোনবাই কব পাৰে নে? সিমূৰে টাইমচ, ইমূৰে জুগুলী আৰু মাজতে বন্তি, এই তিনি খুটাই আসামৰ বৰ চাংখন ধৰি আছে, তাতে উঠি দেখোন আমাৰ নেতাসকলে থিয়েটৰ পাতি কংসবধ, ৰাৱণবধ, পাৰ্থপৰাজয় আৰু হয়-দেউতা-হয় ইত্যাদি কনফৰেন্স, সভা, সমিতি, কমিটি আৰু কুমটি আদি কৰি থাকিব পাৰে; আৰু ৰাইজে দিনত শুই, ৰাতি উজাগৰে থাকি চাই থাকিবও পাৰে; তাকে নকৰি এওঁলোকে আকৌ কাকত কাকতকৈ ফুৰিছে কিয়? এওঁলোকৰ বক্তৃতাবোৰ জানো এই তিনিখন কাকতে চেপি খুন্দি ছাপি উলিয়াব পৰা নাই?—দোথান লেল্‌পেল্‌কৈ উলিয়াবই লাগিছে; তথাপি এওঁলোক "খুচী" হোৱা নাইনে? আৰু নো এই তিনি পত্ৰিকাই কি কৰিব কত মৰিবলৈ যাব? দিনে ৰাতিয়ে এই পতিব্ৰতা তিনি সতী পত্ৰিকাই এওঁ-লোকৰ ঢেঁকী দি ধান বানি, ভাত ৰান্ধি, তিয়নি চেপি, ছুৱা ধুই, মজিয়া মছি, লেদেনা উকটি, সেৱা সুশ্ৰূষা কৰিব লাগিছে, আন কি এওঁলোকক

“ডিপোর্ট” কৰিলে নাইবা বাৰ বছৰলৈ কোনোবাই বনবাসলৈ পঠিয়ালে সুবদনী সৰুখনি বা সৰুবৈণী পত্রিকা জুগুলীয়ে এওঁলোকৰ লগত জটা বাকলি পিন্ধি বনলৈ যাবলৈকো সাজু আছে বুলি দেখোন কৈ থৈছে, তথাপি এওঁলোকে নব্যং বস্ত্রং, নব্যাং পত্রিকাং বুলি অসুখ অশাংতি কৰি থাকে কিয় ? এওঁলোকৰ গাৰ ওচৰতে ছাঁটি থকাদি থকা এই কাকত তিনিখন যদি এওঁলোকে দেখা নাই, তেন্তে এওঁলোকে চকুত বিত-চকু লগাই নাচায় কিয় ? বা চকুত চামনি পৰিছে যদি চামনি কটাই লৈ নাচায় কিয় ? অৱশ্যে এওঁলোকে যদি দিনৌ-ওলোৱা-কাকত উলিয়াব খুজিছে, তেন্তে আমাৰ কবলৈ একো নাই ; কাৰণ টাইমচ সদিনীয়া, বস্থি পষেকীয়া আৰু জুগুলী বছেৰেকীয়া। তেনে হলেও কিন্তু এবাৰ কথা সময় থাকোঁতেই কৈ থওঁ ;—নিতৌ আহি থকা আলহীৰ দৰে দিনৌ ওলাই থকা কাকতৰ খাতিৰ, আদৰ, মান মৰ্য্যাৎ নাথাকে ; তাতকৈ সাদিনীয়াৰ মৰ্য্যাৎ বেছি, আৰু সেই দুইতকৈ পষেকীয়াৰ নিশ্চয় ২ বেছি, আৰু সেই তিনিউতকৈ বছেৰেকীয়াৰ অনেক অনেক গুণে বেছি। দিনৌ ষেকেটালি একেষাৰ কথাকে কৈ থকাতকৈ বা কোনো বস্তু খুজি থকাতকৈ সাদিনৰ মুৰত বা পোন্ধৰ দিনৰ মূৰত কোৱা কথাৰ বা মগাৰ মোল যে সৰহ, এইটো সকলোৱে সৈ কাঢ়িব, আৰু এবছৰৰ মূৰত কোনোৱে আহি একাষাৰ কথাৰ খাটনি ধৰিলে, বা এমুঠি চাউল মাগিলে সেই বছেৰেকীয়া মগনিয়াৰক কোনেও যে শুদা হাতে ওভোতাই নপঠিয়ায় এইটো আমাৰ নেতাসকলেও সৈ নাকাঢ়ি নোৱাৰে। বছেৰেকৰ মূৰত বাপেক মাকৰ শৰাধ সকলোৱে মুকলি মনেৰে কৰি এটি পিণ্ড দিয়ে, কিন্তু দিনৌ তেওঁলোকৰ শৰাধ কৰি তেওঁলোকক পিণ্ড দিবলৈ হোৱাহেঁতেন, যিমানেই ভাল পো হওক, সি কেতিয়াও সেই কাৰ্য্য যে নকৰিলেহেঁতেনেই বৰং বিৰক্ত লাগি, পিণ্ড খাবলৈ বিচাৰি আহোঁতালৈ পিৰালিৰ কুকুৰ হে ফেটাই দিলেহেঁতেন। ইত্যাদি কথা ভাবিয়েই আমাৰ জুগুলী কাকত যদিও বছেৰেকৰ মূৰত এবাৰ ওলাবৰ নিয়মৰ অধীন তথাপি সি extention লৈ লৈ দিন দীঘলাই নি নি বাৰ বছৰৰ মূৰত হে ওলায়। জুগুলী ইমান বিবেচক, ইমান সভাপতিসকলৰ মন যোগাই চলা পতিব্ৰতা, অথচ এনে জুগুলীকো মনকষ্ট দি আমাৰ নেতা



বৰমুৰীয়া বৰগুফীয়া বা নিগুফীয়াসকলে আকৌ আসামত নকৈ বাতৰি কাকত উলিয়াবলৈ যায় !! কি কলিকাল ! কি আপদ ! কি “বিলম্বনা” !

---

## টোপাখহুত হুলস্থূল !

### আৰু ডাঙৰ লোকৰ অপমান !

আমি শুনি “মৰ্মান্তিক” দুখ পাইছোঁ যে টোপাখহু চহৰত এইবাৰ যি দৰবাৰ বহিছিল তাত আসনৰ বিষম বিভ্ৰাট ঘটিছিল। পিছৰ শাৰীত থাকিব লগীয়া মানুহ গৈ আগ-শাৰীত বহিছিল, বেঞ্চত বহিব লগীয়া মানুহ চকিত বহিছিল, থিয় হৈ থাকিব লগীয়া মানুহ বেঞ্চত বহিছিল, আৰু মাটিত লেপেটাকাঢ়ি বহিব লগীয়া মানুহ থিয় হৈ আছিল ! আৰু সকলোতকৈ মাৰাত্মক কথা হৈছিল যে এজন মেম্বৰ, এজন হাকিম, আৰু এজন উকিলৰ শাৰীত হুকুমচান্দ বেপাৰীয়ে চকি পাইছিল। যাৰ গাত এই দৰবাৰৰ দিহাৰ ভাৰ আছিল, তেওঁ নিশ্চয় ইচ্ছা কৰি আমাৰ দেশৰ শিৰৰ মুকুট সকলৰ এই দৰে অপমান কৰিলে। আমি এই হুলস্থূলৰ ফালে কৰ্তৃপক্ষৰ মনোযোগ আকৰ্ষণ কৰোঁ। টোপাখহুৰ নিচিনা এগন বিখ্যাত ডাঙৰ চহৰতে যদি এনে বিপৰ্য্যয় ঘটিল, তেনেহলে গুৱাহাটী ডিব্ৰুগৰ আৰু শিৱসাগৰ জোৰহাটৰ নিচিনা ঠাইলৈ আৰু কি থাকিল ? ইয়াৰ শীঘ্ৰে প্ৰতিবিধান নহলে টোপাখহুত ঘটা এই বিষম কাণ্ডই আসামৰ গোটেইটো গা বিষত কেকোৱা কৰিব। বাস্তৱিকতে কবলৈ গলে টোপাখহুৰ এই ঘটনা শুনিবৰেপৰা আমাৰ নিজৰে কঁকালৰ জোৱাত বিষ উকুৱা যেন পাইছোঁ।

***

## লোকেল চেল্‌ফ গবৰ্ণমেণ্ট বা স্বায়ত্বশাসন।

সিদিনা ফেপেন্দা গাওঁবুঢ়াই এইদৰে কোৱা শুনিছিলোঁ—“আমি কওঁ যে আমি অসমীয়াই নকুল চেল্‌ফ গগৰ্ণমণ্ডল কাক কয় বুজোঁ। চেল্‌ফ গগৰ্ণ-মণ্ডল থায় নে কাণত পিন্ধে সেইটো যেতিয়ালৈকে আমি ভালকৈ বুজোঁ,

তেতিয়ালৈকে গৰ্গৰ্ণমণ্ডলে সেইটো থুনপাকত ভৰাই থলেই ভাল। আমাৰ দুজন চাৰিজন বৰা শইকীয়া মেম্বৰ হৈ চৰ্কাৰী চকিত বহিলেই অসমীয়াৰ পেট নভৰে। চেলুফ গৰ্গৰ্ণমণ্ডলখন সামৰি থৈ আমাৰ লৰাবোৰক গৰ্গৰ্ণমণ্ডলে ডাঙৰ সৰু অনুসাৰে ডাঙৰ সৰু চৰ্কাৰী কাম দি পেট প্ৰবৰ্ত্তাৰৰ উপায় কৰি দিয়ক, ইয়াকেহে আমি থাটিলোঁ।"

***

## হিন্দু বিশ্ববিদ্যালয়

কাশীত হিন্দু বিশ্বেশ্বৰ বিগ্তালয় পাতিছে শুনি সন্তোষ পালোঁ। তাত বামুণৰ লৰাক সন্ধ্যা পূজা কৰিবলৈ, শ্ৰুতি-স্মৃতি পঢ়ি সেইমতে চলিবলৈ আৰু সৰস্বতীপূজা আৰু কালীপূজা কৰিবলৈ শিকালে আমি আৰু সন্তোষ পাম। আশা কৰোঁ তাৰ স্কুলৰ শ্ৰেণীত বামুণ, শূদিৰ আৰু আন জাতৰ লৰাক একেলগে বহি পঢ়িবৰ দিহা কৰা নাই; কাৰণ "নিশ্বাসাৎ সহ ভোজনাৎ" ইত্যাদি স্মৃতিৰ বচন হিন্দুৰ বিশ্বেশ্বৰ বিগ্তালয়ে নিশ্চয় মানে আৰু অধ্যাপকসকলো নিশ্চয় ব্ৰাহ্মণ হব বুলি আমি ভাবিছোঁ।

---

## চিঠি

শ্ৰীমতী জুগুলী সম্পাদক দেউতাৰ শ্ৰীচৰণেষু

দেউতা,

বন্দীয়ে একেআষাৰেই কৈ দিওঁ, যে বন্দীয়ে কানি খাওঁ। কানিৰ বাগিত বন্দীৰ খাতি টোপনি নাহে; মাথোন পাটীতে টলকা মাৰি পৰিহে থাকোঁ। গল ৰাতি বন্দীৰ শোৱনিঘৰৰ ভিতৰত হোৱা এটা ঘটনাৰ কথা দেউতাৰ কাকতত ছেপিবলৈ পঠিয়ালোঁ, ছেপিলে বন্দীয়ে আনন্দ পাম। বন্দীৰ শোৱাপাটীৰ কাষতে মাটিত এবাটী ভঙা বুটমাহ আছিল। ৰাতি তাৰ কাষত এমথা নিগনি, খলিয়া, এন্দুৰ গোট খালে। সিহঁতৰ ভিতৰতে এটা চিকাও আছিল হবলা, কাৰণ বৰ বেয়া গোন্ধ পাইছিলোঁ। কানিৰ গুণত মোৰ ইন্দ্ৰিয়বোৰ, বিশেষকৈ কাণ বৰ চোকা হৈ উঠিছে—এনেকুৱা হয়, আপুনি কানি খায় নে নাখায় কব নোৱাৰোঁ, খায় যদি তাৰ



প্ৰমাণ নিশ্চয় পাইছে; নাখায় যদি মোৰ কথাকে সঁচা বুলি ধৰি ললে আপুনি ভুলত নপৰে। মই চকু মেলা নাছিলোঁ; কাৰণ এলাহত চকু জোৰ দীঘল দি পৰি আছিল। মই কাণেৰে শুনি বুজিলোঁ—এন্দুৰ খলিয়া আৰু নিগনিবোৰে মোৰ বুটমাহবোৰো খাইছে, আৰু কিবা মল নে সভাও পাতিছে। ডাঙৰ এন্দুৰ এটাক সিহঁতে সভাপতি পাতি বক্তৃতা কৰি, এখন কিবা চাৰ্টফিকিব দিলে। চাৰ্টফিকিবখন এটা এন্দুৰে পঢ়া মই শুনি আছিলোঁ, সেইদেখি সেইখন মোৰ তেনেই মনত বল। মোৰ মনৰপৰাই অনুগ্ৰহ কৰি তাৰ নকল তলত দিলোঁ।—

"মহামহিম মহিমাৰ্ণৱ, স্বগৰ্ত্ত-ৰসিক, ৰৰাহ-অৱতাৰ, নখৰপাদ পূজ্যপাদ মহাধনুৰ্দ্ধৰ কাকত কাপোৰ অনুৰাগ-কৰ্ম্মযোগী, জ্ঞানসিন্ধু খলিয়াইন্দু স্বজাতি-বন্ধু, শ্ৰীযুক্ত দঁতাল ফুকন এন্দুৰ ডাঙৰীয়াৰ শ্ৰীচৰণকমলেষু।

ডাঙৰীয়া,

আজি আমি এই ভঙা বুটমাহৰ আনন্দ-হিমালয় পৰ্ব্বতৰ টিঙত উঠি এপেটকৈ বুটমাহ খাই, তাৰ ৰসৰ সমুদ্ৰত বুৰি ঢেলু-ওপঙা দি আমাৰ ঢকা-ডিঙৰা-লগা পেটটিইত লৈ আপোনাৰ কাষলৈ এই চাৰ্টফিকিব কাকত লৈ আহিছোঁ; শ্ৰীচৰণে আমাৰ এই ভক্তিৰ পুষ্পেৰে সৈতে ফিকিৰ-পত্ৰখনি শ্ৰীচৰণৰ পদ-নখৰ ওচৰত থবলৈ আমাক আজ্ঞা দিলে আমাৰ ইহকাল পৰকাল কিবা এটা হব। শ্ৰীচৰণে শ্ৰীচৰণৰ হস্তপদ্ম নথেৰেও যদি আমাৰ এই ফিকিৰ-পত্ৰখনি নোছোৱে তেন্তে অন্ততঃ সুন্দৰাতিসুন্দৰ নেজৰ আগেৰে এবাৰ কাকতখনি লৰফৰ কৰি দিলে সি পবিত্ৰ হৈ সোঁশৰীৰেৰে স্বৰ্গাৰোহণ কৰিবৰ অধিকাৰী হব। হে কৰমকাৰী তৃতীয়া তৎপুৰুষ! হে প্ৰতিভাশালি, গোশালি আৰু আহুক্ষেত্ৰ শালিক্ষেত্ৰ আৰু পানীপোতা, খাৰৈ আৰু ধানৰ ভঁৰালবিগাৰী মহাপুৰুষ! আপোনাক আমাৰ কি আছে, কি কি দিম! আমাৰ অসীম অনন্ত দ দীঘল বহল ভক্তি আৰু কৃতজ্ঞতাৰ চিনস্বৰূপে এই নাওমান চাৰ্টফিকিব চিঠি

খনি আপুনি গ্ৰহণ কৰিলে আমি অপাৰ আনন্দৰ খালত বুৰি মৰি নিজক ধন্য মানিম।

ইতি সেৱকানুসেৱক—
এন্দুৰ বৃন্দ।"

ইয়াৰ পাছত এটা নিগনিয়ে গান ধৰিলে—

"ধৰাঁ হে ধৰাঁ হে এই পত্ৰখানি
হিয়াৰ চিয়াঁহীৰে লেখা।
হেৰা দেউতা, হেৰা ভোকোন্দাই পুৰুষ,
দিয়াঁ আমাক এই ভিক্ষা।
আমাৰ গাটত হীৰা এডোখৰ,
অমিতাৰ ঠাৰিত জোনাকী পোহৰ,
পানীপোটাত দেউতা তুমি কাঠ-ফুলা,
ছাতি ধৰি আমাক ৰাখা
ধৰাঁ হে ধৰাঁ হে"—ইত্যাদি।

সম্পাদক দেউতা, মই কিন্তু এইবোৰ শুনা কথাহে, মই চকু মেলা নাছিলোঁ, কাৰণ মেলিবৰ মন নগৈছিল বুলি ওপৰত কৈছোঁ। সত্যে কৈছোঁ, এবাৰ ভাবিছিলোঁ বোলোঁ উঠি হঁইতক মোৰ হাতত থকা বিচখীনৰ নালেৰে মাৰ এটা লগাই দিওঁ—মোৰ ভজা বুটমাহগাল খাই কি সৰাহ পাতি মেল-দোৱান কৰি চাটিফিকৰ দিবলৈ আহিছে; কিন্তু সেই কথা ভাবোঁতেই গল কাৰণ তালৈকে নো হাতখন তোলে কোনে? ইয়াকে গপি, যি কৰে কৰক বুলি, মই নলৰি এলাহতে যি ভাবে আছিলোঁ সেই ভাৱে পাটীতে পৰি থাকিলোঁ।

শ্ৰীচৰণৰ সেৱক—
সংবাদ দাতা শ্ৰীমোলোকা বৰকানীয়া।

---



## গোটেই দেশৰ বাতৰি।

সিদিনা বাঁহজেঙনি গাৱঁত জুগুলী সম্পাদক বৰবৰুৱাক মহাসমাৰোহ কৰি অভ্যৰ্থনা কৰিলে। গোটেই দেশ দল্‌দোপ্ হেন্দোল্‌দোপ্ লাগি পৰিছিল। মানুহ দুনুহ আনন্দত বলিয়া হোৱাদি হৈছিল। মহ গৰু ছাগলীবোৰ বাটত ঢপলিয়াই ফুৰিছিল। গছগছনিবোৰেও ওন্দোলি খাই নাচিছিল। তিনিজোপা আমগছ, দুজোপা তামোলগছে তেনে কৰি ভাগি থাকিল। বৰ দুৰ্যোগ!

* * *

গল শুকুৰবাৰে ৰাতি ২ বাজি তিনি মিনিট যোৱাত জুগুলী সম্পাদক বৰবৰুৱাৰ বৰপেট বৰকৈ কামুৰিছিল। এই বাতৰি নগৰত তেতিয়াই প্ৰচাৰ হলত তোলপাৰ লাগি পৰিল। বৰবৰুৱাৰ হাউলিৰ চাৰিউফালে প্ৰজা বিৰ দি সন্ধি পাবলৈ নাইকিয়া হৈছিল। সকলোৰে মুখ বেজাৰত ওলমি পৰিছিল, আৰু তিকতা আৰু কুকুৰ শিয়ালবোৰে ৰাউচীজুৰি কান্দিছিল। সেই কান্দোন শুনি জিলাৰ বৰচাহাবৰ বৰ টোপনি ভাগিলত তেখেতে সবিশেষ বৃত্তান্ত অৱগত হৈ চিভিল চৰ্জ্জনক তেতিয়াই, বৰবৰুৱাক চিকিৎসা কৰিবলৈ তাঙীখোৰা এটাত তুলি পঠিয়াই দিলে। চিভিল চৰ্জ্জনৰ চিকিৎসাত ডাঙৰীয়া পুৰা ভাল হল। ৰাতিয়েই অ, ভা, উ, সা, সভা আহ্বান কৰি "বিজলিউচন পাচ" কৰি, ডাঙৰীয়াৰ নৰীয়াৰ বিষয় জনাই টেলিগ্ৰাফ কৰা হৈছিল। সকলোৱে শুনি আশ্বস্ত হব, যে এতিয়া ডাঙৰীয়া সম্পুৰ্ণ আৰোগ্য হৈছে; আজি তেখেতে ডাঢ় খুৰাইছে, আৰু ডাঙৰীয়ানীয়ে মানিমুনিশাকৰ আঞ্জাত কাঠমাছ দি ৰান্ধিবলৈ যো-যা কৰিছে; ডাঙৰীয়াই তাৰে ভাত গৰাহচেৰেক খাবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

* * *

জুগুলী সম্পাদক ডাঙৰীয়াই কালি পুৱা হেমোৰাম উকিল আৰু লম্বোশইকীয়াক "প্ৰাইভেট্ ইণ্টৰভিও" দিছিল। ডাঙৰীয়াৰ মুখৰপৰা দেশৰ হিতকৰ মধুৰ কথাষাৰচেৰেক তেওঁলোকে শুনি কৃতাৰ্থ হৈ গৈছে। ধান সলাই মাছ বেচিবলৈ যোৱা তিনিজনী পোহাৰীয়ে সেই সময়তে

ডাঙৰীয়াক বাটৰপৰা দেখি, মাছৰ পাচীকেইটা মূৰৰপৰা নমাই থৈ ৰ লাগি এখনমান তামোল খোৱা বেলি চাই আছিল। ডাঙৰীয়াৰ মুখপদ্মৰ জেউতীয়ে নিশ্চয় সিহঁতক ধৰিছিল। এজনীয়ে এজনীক কোৱা শুনা গৈছিল,—"হেৰেই বাই হঁত! ডাঙৰীয়াৰ মুখখনি দেখি মোৰ ভোক পিয়াহ হৰিল। মই নো আৰু কি মাছ বেচিম বাইহঁত ঐ! যা আজি তহঁতেই বেচ গৈ, মই ইয়াৰপৰা নাযাওঁ।"

* * *

এইবাৰ লাট চাহাব উভতি আহিলে জুগুলী সম্পাদক বৰ বৰুৱাই গোটচেৰেক দেশহিতকৰ প্ৰস্তাৱ কৰিব খুজিছে। প্ৰস্তাৱৰ পাণ্ডু- লিপি তেখেতে লেউ-লেৱাকৈ শচকাই থৈছে, আহিলেই দিব। ঈশ্বৰে কৃপাবৰ বৰবৰুৱা জুগুলী সম্পাদক ডাঙৰীয়াক এই দৰে স্বদেশৰ সেৱা কৰিবলৈ যেন দীঘলকৈ জীয়াই থয়।

* * *

অলপতে জুগুলী সম্পাদক ডাঙৰীয়া চফৰ ফুৰিবলৈ যাব। তেখেতে কেইবাটাও দেশহিতকৰ ডাঙৰ কাম হাতত লৈ ওলাইছে। জুগুলীৰ বাহুল্য প্ৰচাৰ তাৰে এটা। তেখেতে প্ৰত্যেক গাওঁ প্ৰত্যেক মৌজালৈকে "চাকুলাৰ লেটৰ" পঠিয়াইছে, যেন তেখেতে প্ৰত্যেক মানুহৰ হাততে একোখন জুগুলী দেখিবলৈ পায়, নতুবা তেখেত বৰ অসন্তুষ্ট হব। ৰাইজসকল! তোমালোকক আমি আগেয়েই সাৱধান কৰি দিলোঁ। যদি তোমালোক স্বদেশদ্ৰোহী নোহোৱা তেন্তে হাতত একোখন জুগুলী লৈ শ্ৰীযুক্ত কৃপাবৰ বৰবৰুৱা ডাঙৰীয়াক অভ্যৰ্থনা কৰিবলৈ সাজু হৈ থাকিবা। ডাঙৰীয়াক যোগাবলৈ "ৰচতৰ" ভয় তোমালোকে নকৰিবা; তেখেতে থাগৰীবাৰী সত্ৰত ভকত হবৰেপৰা সাত্ত্বিক আহাৰ কৰে—মাথোন দিনৌ পুৱা ঢুটি চৰাইৰ কণী, এমুঠি আৰৈ চাউল, আৰু গধূলি এটুপি লাওপানী আৰু এটি পাতিহাঁহ. অভাৱে—হেঃ হেঃ-বাপা,-সেই চাৰটি-মোৰ-নাঃ? হলেই তেখেতৰ হব।

অস্ত।

---



## "বেলি-মাৰ।"

বেলি-মাৰৰ পাছত নিজপ্ৰাল হোঁৱাটো প্ৰায়েই স্বাভাবিক; কিন্তু সিদিনাৰ "Times of Assam" কাকত পঢ়ি বেজবৰুৱা ডাঙৰীয়াৰ বেলিমাৰৰ পিছত কোঢ়াল হোৱা শুনিবলৈ পাইছোঁ। বেলি-মাৰ বোলা কিতাপখনত বিষম দোষ আছে হেনো, সেইদেখি মিঃ এ, চী, চীয়ে "Whip of Scorpion" লৈ আগ বাঢ়িছে! ভয় নাই, বেজবৰুৱা ডাঙৰীয়াৰ গাত whipডাল অপৰাজিতাৰ বিজয়-হাৰ হৈ পৰিব, নতু Scorpion বোৰ ধুনীয়া পখিলা হ'ব! মিঃ এ, চী, চীৰ, চকুৰ-কুটা দাঁতৰ-শাল ভেলেকা- জন মাইহেঙৰ বেজতকৈও ডাঙৰ বেজ—তেখেত বেজবৰুৱা, Caliban-অক শিকনি দিব পৰা Prospero.

এ, চী, চী কোন ধৰণৰ "সমালোচক" তাক আমি তেখেতৰ প্ৰবন্ধৰ পৰাই বুজিব পাৰিছোঁ। তেখেত "শঙ্কৰদেৱ-বেমাৰ" লগা "বাঁহী" হাতেৰে মুছুই "বাঁহী"ৰ "সমালোচনা" কৰাদলৰ সমালোচক। নহ'লে, তেওঁৰ সাম্য ভাৱৰ বহ্নি আগ্নেয়গিৰিৰ অগণিৰ দৰে জ্বলি Times of Assam crater-এদি এই অৱস্থাত নোলালহেঁতেন!

সৰ্ব্বসাধাৰণৰ আগত ওলাবলৈ হলে ৰপৰা-পেটাৰিত সাম্বৰি থোৱা সাজ পিন্ধি ওলাব লাগে। মনৰ ভিতৰত থকা ভাব এটা ভাল নে বেয়া আনে খবৰ নেপায়; কিন্তু সেই ভাবটো ওঠৰপৰা ওলালেই বা কাৰ্য্যত প্ৰকাশ পালেই তাৰ ভাল বেয়াৰ বিচাৰ হয়। এ, চী, চী, নিশ্চয় শিক্ষিত লোক। তেখেতক ভাল সাজ-পাৰেৰে আমাৰ আগত ওলোৱা দেখা পোৱা হলে সকলোৱে সন্তোষ পালেহেঁতেন। তেখেতৰ প্ৰবন্ধই কিন্তু Caliban হৈ সৰস্বতীক কব লাগিছে:—

> "You taught me language;' and my profit on't
>
> Is, I know how to curse;"

"সমালোচকে" "আপোনাৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰিবলৈ" ওলোৱা দেখিহে আমি সকলো চুখিত হৈছোঁহঁক

বেজবৰুৱা ডাঙৰীয়া "unmannerly"; প্ৰমাণ, তেখেতৰ "বেলি-মাৰ"; মিঃ এ, চী, চী, সভ্য আৰু ভদ্ৰ;—প্ৰমাণ, তেখেতৰ প্ৰবন্ধটো। "The sky

enriches the earth with rain, and the earth gives it *dust* in returu. As the Arabs say : what the vessels have, that they give:—"If my moral character strike thee as improper, do not renounce thy own good character."—Sadi.

সমালোচনা কৰিবলৈ যোৱাৰ আগেয়েই বিষয়টোত "সমালোচক"ৰ কিমান ব্যুৎপত্তি আছে তাক বুজি-সুজি চাইহে আগ বঢ়া উচিত। এ, চী, চীয়ে বিষয়টোৰ আয়তন উপলব্ধি কৰিছে নিশ্চয় আৰু সমালোচনা অৰ্থাৎ সাহিত্য-ক্ষেত্ৰত তেখেতবো "স্বস্থান"টো বৰ সুন্দৰকৈ বুজিছে! "বেলি মাৰ" পাচত ওলোৱা আঠুৱা-তলৰ মহ, মোহাৰি মাৰিবলৈ কত পৰ? মিঃ এ চী-চীয়ে মহ মাৰিবলৈ, জাৰ্ম্মাণিয়ে যুদ্ধলৈ কৰাৰ নিচিনা আয়োজন নকৰা হ'লেই পাৰিলেহেঁতেন। অৱশ্যে তেখেতে নেজানে যে "Katol stick" নামে মহ খেদোৱা এবিধ জাপানী ধূপ ওলাইছে। তাৰে এডাল লগাই থ'লেই মহ পলাই পত্ৰং। "সমালোচক' ডাঙৰীয়ায়ো Finger post হৈ বাট দেখুওৱা বা Light-house-অৰ দৰে বিপদ-সঙ্কেত জনাই থাকিব লগা কামটোৰপৰা পৰিত্ৰাণ পাব। বেলৰ Alarm signal হ'লে ভাল নহ'ব, কাৰণ তেতিয়া টনাটানি আৰম্ভ হ'ব।

"বেলি মাৰত" মিঃ এ চী চীৰ খং তুলিব লগা কি দোষ আছে ক'ব নোৱাৰোঁ। তেখেতে প্ৰথম অঙ্কৰ ৫ম দৃশ্যটো পঢ়ি খণ্ডত একোনাই হৈছে। "বেলি-মাৰ"ৰ পাঠকসকলে কিন্তু ক'ব যে সেই দৃশ্যত বদনচন্দ্ৰক অত্যাচাৰী Tyrant-অৰ চিত্ৰত তোলা হৈছে মাথোন। কামৰূপীয়াবিলাকৰ প্ৰতি বদনচন্দ্ৰৰ মনৰ গতি বা attitude কেনে আছিল তাক মাত্ৰ গ্ৰন্থকাৰে এই দৰ্শনত ফুটাই দেখুৱাইছে। বদন বৰফুকনৰ মত যে ভ্ৰান্ত আৰু অন্যায়মূলক আছিল, সেই "অঞ্চলৰ মানুহ যে" সকলো "বৰ দুষ্ট" নাছিল, "কিন্তু ভাল মানুহও আছে। ভাল বেয়া সকলো ঠাইতে থাকে," "ঢেকেৰীৰ ভিতৰতো এনে অনেক সজ্জন আছে যে তেওঁলোকৰ তুলনা নাই।" "উজনিতো এনে অনেক আছে যে তেওঁলোকক চিনাই টান।"—তাক মাত্ৰ এই দৰ্শনে প্ৰমাণ কৰিছে। ভূমুক বহুৱাৰ শেষৰ গীত কেফাঁকিয়েই এই পঞ্চম দৰ্শনৰ সাৰ কথা :—



"বৈকুণ্ঠৰ কৃষ্ণ আৰু কৈলাশৰ শিৱ।
লাহে লাহে দেশখন ( চোৱা ) মৰিবলৈ দিয় ॥
নিজৰ ভিতৰত হিংসহিংসি আনক অত্যাচাৰ।
বাইজে ৰজাৰ কাষলৈ আহি নাপাই সুবিচাৰ ॥
দুখীয়াক দুখ দি বং পায়, প্ৰজাক কৰে খিণ।
সেই ঘৰ ৰজা, সেইখন দেশৰ আয়ুস কেইদিন ?"

"বেলিমাৰ'ৰ দ্বিতীয় অঙ্ক ৪ৰ্থ দৰ্শনৰ পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই ঘনশ্যাম বৰফুকনলৈ দিয়া চিঠিখনে কি প্ৰমাণ কৰে? বদনচন্দ্ৰ যে কেনে স্বভাৱৰ মানুহ আছিল আৰু সেইবাবে কেনে ব্যৱহাৰ পাইছিল তাক ৪ৰ্থ অঙ্ক ১ম দৰ্শন প'ঢ়িলে বুজা যাব। অন্যায় কাম কৰিলে, নিজৰ ভিতৰত হিংসাহিংসি ভাব সুমাবলৈ গ'লে আমাৰ বা "সমালোচকৰ" কেনে দশা হব পাৰে বদনচন্দ্ৰৰ দশাই তাকে ফটফটীয়াকৈ আমাৰ আগত তুলি ধৰিছে। মুঠতে আমি "বেলিমাৰ'ত "সমালোচকৰ"ৰ খং তুলিব লগা কোনো কথা দেখা নাই।

মিঃ এ চী চীয়ে "বেলিমাৰ" ৰচকক আৰু এটা দোষত দোষী সাব্যস্ত কৰিছে। দোষ—দলাদলি কৰা, একতা নষ্ট কৰা! মিঃ এ চী চীয়ে অৱশ্যে একতাৰ বলত গোট খাই লাড়ুটো যেন হৈ থাকিব খুজিছে। সেই কাৰণে তেখেতে "Kamrupi brethern"-অলৈ appeal পঠিয়াইছে।

আমি বালিৰ মিঠৈ নহওঁ যে ফু মাৰিলেই,—বা বেজবৰুৱা ডাঙৰীয়াই কোনো সত্য মত প্ৰকাশ কৰিলেই মিঠৈটো ভাগি যাব। কোনো ঐতিহাসিকে যদি দামোদৰ দেৱক শঙ্কৰদেৱৰ ওপৰত থাপনা দিবলৈ গৈ অসত্য তথ্য আবিষ্কাৰ বা invent কৰে তেন্তে তেতিয়া তেনে অসত্য তথ্যৰ কি পৰিণাম হব পাৰে? নেলাগে আমি ধৰ্ম্ম বিজ্ঞান ইতিহাস আদি একোৰে চৰ্চ্চা নকৰোঁ। কোনবাই তেনে চৰ্চ্চাৰে হৈতে আমাৰ জাতিটোক যদি ছাৰে আমি কেৰেলুৱাৰ দৰে গোট মাৰি যাম.—এয়ে একতাৰ একমাত্ৰ উপায়।

"সমালোচকে" "বেলিমাৰ"ৰ সমালোচনা এৰি তাৰ ৰচকৰ personalityত লগা দেখি আমাৰ "Kill him, he is Cina the conspirator"

আৰু "Then kill him for his bad verses" কথাটো মনত পৰিছে। বেজবৰুৱা ডাঙৰীয়াই দেশৰ অৰ্থে কিবা কাম কৰিছে নে নাই ভাব ঠিকনা পৰন্তে হ'ব, এতিয়াও হৈয়েই আছে। কেৱল "সমালোচক" আৰু দেশৰ ভিতৰত এয়ে পাৰ্থক্য :—

"Truth is this to me & that to thee."

বঙ্কিম আৰু Addisionৰ শাৰীৰ humorist বেজবৰুৱা ডাঙৰীয়া হব পৰা নাই। তেখেতে slang বা false humourৰ বাহিৰে humour কি নেজানে। কেতিয়া জানিব ?—মিঃ এ, চৌঃ, চৌঃৰ নিচিনা প্ৰবন্ধ যেতিয়া লিখিব পৰা হব।

বেজবৰুৱা ডাঙৰীয়াই "মই representative" ভাব দেখুওৱটো আমি কব নোৱাৰোঁ। কিন্তু আমি হলে তেওঁক resentative বোলোঁ। কাৰণ তেওঁ অসমীয়া ভাষাৰ ভঁৰাল চহকী কৰিছে, অসমীয়াৰ উন্নতিৰ হকে শ্ৰীবৃদ্ধিৰ হকে কায়মনোবাক্যে যত্ন কৰিছে, বিদেশত থাকিও, অসমীয়াক "তেজ ধুলে উটে, মঙহ ধুলে মুটে" বুলি বিশ্বাস কৰি আছে। তেখেত representative হোৱাৰ কাৰণ আৰু এটা আছে :—বঙালী ভাষাৰ গ্ৰাসৰপৰা আমাৰ মাতৃভাষাক উদ্ধাৰ কৰোঁতাসকলৰ ভিতৰৰ তেওঁ এজন। কলিকতা বিশ্ববিদ্যালয়ৰো আৰুবেলিৰপৰা তেখেত অসমীয়া ভাষাৰ পৰীক্ষক। Authority নহয় বুলি কোৱাজন representative-তকৈ ডাঙৰ হব লাগে। "The critic is the greater poet" মিঃ এ চৌ চাৰ কথা হলে আমি শুনা নাই। ( তেখেতে এই সত্য কথা কোৱাবাবে অৱশ্যে আমাক ক্ষমা কৰিব। ) বেলিমাৰ বচকে যোৱা ডেৰ কুৰি বছৰ নিঃস্বাৰ্থ ভাৱে দেশৰ কাম কৰা বাবেই তেখেত আমাৰ representative নহৈ আন হব নোৱাৰে। Mr. A. C. Cয়ে কৰা হলে তেওঁকো আমি এই উচ্চ আসন দিলোঁহেঁতেন। মাত্ৰ দিবলৈ নেপাইহে দুখ কৰিছোঁ। মিঃ এ চৌ চৌ represetative হোৱা হলে যিডাল "লবেলচ" তেখেতে বেজবৰুৱা ডাঙৰীয়াক দিছে তেখেতক সেইডালকে দিয়া হলে ভাল পালেহেঁতেন নে ? বেজবৰুৱা ডাঙৰীয়াৰ বিৰুদ্ধে প্ৰবন্ধটো লিখি মিঃ এ চৌ চৌয়ে তেখেতক প্ৰশংসা মাত্ৰহে কৰিছে। "To the eyes of enmity virtue appears the ugliest



blemish ; it is a rose O Sadi ! Which to the eyes of our rivals seems a thorn.'

শেহত ইয়াকে কওঁ যে. যি ভাষাত পুথি লিখিলে কোনো আৰ্থিক লাভ নাই. আন কি কোনো শলাগনিও নাই, তেনে ভাষাক চহকী কৰিবলৈ আগ বাঢ়িলে যে বিহকতো নিন্দা শুনিব লাগিব বেজবৰুৱা ডাঙৰীয়াই সাহিত্য-ক্ষেত্ৰত সোমাবলৈ অহাৰ আগেয়েই তাক বেছকৈ জানিছিল। এই বিষয়ে Bardo's Tito Melemaক কোৱা কথা দুআষাৰমান কলেই যথেষ্ট হব। "But we must prepare ourselves for calumny, young man. If your book contains novelties you will be charged with forgery ; if my elucidations should clash with any principles of interpretation adopted by another scholar, our personal characters will be attacked, we shall be impeached with foul actions ; you must prepare yourself to be told that your mother was a fish-woman, that your father was a renegade priest or a hanged malefactor. I myself, for having shown error in a single preposition had an invective written against me wherein I was taxed with treachery, fraud, indecency and even hideous crimes. Such, my young friend—such are the flowers with which the glorious path of scholarship is strewed !"

অতি দূৰ আকাশৰ সৌ তৰাকণি নিচেই সৰু নে ? ওচৰ চাপি যোৱা দেখিবা—সি সূৰ্য্যৰ সমান বা তাতোকৈও ডাঙৰ !

আমি এই প্ৰতিবাদ কৰাৰ উদ্দেশ্য—বেজবৰুৱা ডাঙৰীয়াক খোচামোদ কৰা নহয়, কেৱল তেখেতক তেখেতৰ নায্য প্ৰাপ্য দিয়াটোহে।

শ্ৰীলক্ষ্মীকান্ত বৰুৱা।

কলিকতা

* প্ৰবন্ধ লেখক আৰু জনচেৰেক আমাৰ অসমীয়া বন্ধুৰ বিশেষ অনুৰোধত পৰি এই প্ৰবন্ধটো ছপাব লগীয়া হলোঁ। এই প্ৰবন্ধত লিখা কথাবোৰ ঠিকেই হওক বা তাৰ

# চিন্তাৰ ঢৌ।

## ( পাৰস্য দাৰ্শনিকৰ গৱেষণা। )

এই বিচিত্ৰ সংসাৰত হমুনিয়াহ কাঢ়িব লগীয়া কিবা থাকিব পাৰে, কিন্তু চকুপানী টুকিব লগীয়া হ'লে একো নাই।

•

নাৰীৰ প্ৰেম,—জীৱনত ইয়াতকৈ বেছি সুন্দৰ, বেছি মহীন, বেছি পবিত্ৰ আন একো হব নোৱাৰে। সকলো স্বাৰ্থত্যাগ ইয়াৰ আগত তুচ্ছ; ইয়াৰ প্ৰভাৱত মানুহে দুস্তীৰ্ণ অগ্নিপৰীক্ষা সুকলমে পাৰ হৈ আহে। অসীম কষ্ট নিকাৰ দুখ এনে কি মৃত্যু যন্ত্ৰণাকো ই ভ্ৰূক্ষেপ নকৰে।

•

জয়পৰাজয় আৰু ৰাজ্য অধিকাৰৰ কথা আমি নিতৌ শুনিবলৈ পাওঁ। কিন্তু আমি পাহৰোঁ যে ৰাজ্য অধিকাৰ আৰু মানুহৰ হৃদয় অধিকাৰ দুটা সুকীয়া কথা। সেই পৰাজয়ৰ মূল্য কি যত বিজিতসকলক তৰোৱাল বা ফাঁচীকাঠৰ ভয় দেখুৱাই শৰণাগত কৰি ৰখা হয়? মানুহৰ চিত্ত অধিকাৰ হে আচল অধিকাৰ, প্ৰীতি আৰু ৰাজভক্তি ইয়াৰ ফুল আৰু ফল স্বৰূপ। অকল তোপধ্বনিৰ দ্বাৰাই প্ৰকৃত অধিকাৰ নহয়; অস্ত্ৰৰ প্ৰভুত্ব ক্ষন্তেকীয়া, কিন্তু প্ৰেমৰ প্ৰভুত্ব যাৱতীযুগীয়া।

•

হেজাৰ দূৰদৰ্শী হৈয়ো মানুহে বিধিৰ লিখন খণ্ডাব পৰা নাই।

•

মোৰ মনত সকলো ধৰ্ম্ম একে, সকলো ধৰ্ম্মৰে মূল সত্য একে,— জগৎবাসীৰ প্ৰভুত্ব প্ৰচাৰ আৰু মানৱৰ আধ্যাত্মিক জীৱন লাভ। ভজন

ওলোটাটোৱেই শুক তাৰ ভুলবৰ সকাম আমাৰ সমূলী নাছিল আৰু নাই। বেলিমাৰৰ বচক আৰু বাঁহীৰ সম্পাদক একেজন মানুহেই হোৱা বাবে এই প্ৰবন্ধটো বাঁহীত ছপাই যে আমি কিবা এটা আভজ্ঞা কাম কৰিছো, সেইটো আমি বাঢ়িয়াকৈ বুজিও নিৰুপায়। "পঙ্কচক্ৰে ভগৱানও ভূত হয়" বুলি যে এটা কথা আছে তাৰ অৰ্থ আমি এইবাৰ ভালকৈ বুজিলোঁ।—সম্পাদক।



আৰু পূজাৰ প্ৰণালী বেলেগ হ'ব পাৰে, কিন্তু ই ধৰ্ম্মৰ আটাইতকৈ অলাগতিয়াল অংশ। আত্মাৰ উন্নতিকহে মই ধৰ্ম্মৰ প্ৰধান অংশ বুলি ভাবোঁ।

•

জীৱন কেনে সুন্দৰ। ইয়াৰ আনুসঙ্গিক সুখ সমৃদ্ধি কেনে মনোৰম। কিন্তু হায় ইমান সোনকালে ইয়াৰ অন্ত পৰে! দুৱাৰত নিৰ্ম্মম বজ্ৰদণ্ড লৈ মৃত্যুৰ প্ৰহৰী সদাই থিয় দি আছে।

•

জীৱনত নৰকতকৈয়ো বেছি কুৎসিত আৰু বেছি নিষ্ঠুৰ কথা বহুত আছে।

•

বন্ধুত্বৰ ওপৰত আমি বেছি নিৰ্ভৰ বা বিশেষ দাবি কৰাটো বাঞ্ছনীয় নহয়, কাৰণ তেনে কৰিলে কেতিয়াবা আশাতীতৰূপে আমাৰ হৃদয় বিদীৰ্ণ হ'ব পাৰে।

•

বিধিৰ লিখন অখণ্ডনীয়। ইয়াৰ ওচৰত মিনতি ভাৰ-ভেটি চকুলো সকলো মিছা। বিফল বাসনা আৰু নিৰাশাৰ লগে লগে আমি দৈৱ আৰু মৃত্যুৰ বিকট হাঁহিৰ প্ৰতিধ্বনি শুনিবলৈ পাওঁ।

•

পাশ্চাত্য জগতত নাৰী স্বাধীন আৰু মুকলি-মূৰীয়া; পূবত তেওঁলোক পৰাধীন আৰু চাৰি বেৰৰ ভিতৰত। কিন্তু দুয়ো ঠাইতে নাৰীজাতিৰ ওপৰত পুৰুষৰ ঘোৰ অবিশ্বাস। পূবত অন্তঃপুৰৰ মাজত নাৰীক বন্ধ কৰি সেই অবিশ্বাস সকলোৰে মুক্তকণ্ঠে প্ৰচাৰ কৰে, পছিমত সেই অবিশ্বাসক স্বাধীনতাৰূপ ঢাকনিৰে ঢাকিব খোজে।

•

হায়, এনে বিচিত্ৰ আমাৰ সামাজিক নিয়ম! পাপগ্ৰস্ত পতিত ভাইটিক আমি সস্নেহে আলিঙ্গন কৰি লওঁ, কিন্তু পতিতা ভনীটিক গঞ্জনা-গৰিহণাৰ ভাগিনী কৰি চিৰকলঙ্কৰ ভীষণ গহ্বৰতলৈ গতা মাৰি দিওঁ।

•

পুৰুষৰ অসাধ্য যে তেওঁ তিৰুতাক নিষ্ঠুৰতা আৰু প্ৰতিহিংসাত ঘটুৱাব

পাৰে : হৃদয়হীনতা শিল্পকলাৰ দৰে নাৰীৰ অভ্যাসৰ কৰতলীয়া। মধুৰ হাঁহি, মতলীয়া চুমা, ইয়াৰ আঁৰত বিশ্বাসঘাতকতাৰ পৈশাচিক অভিনয় হ'ব পাৰে। পুৰুষৰ ৰক্তপিপাসু বিশ্বাসঘাতকিনী ;—ইপোনে কেনে শান্ত নীৰব, যেন হিমালয় গিৰিৰ দৰে গহীন, যেন সৰ্ব্বভুক্ অগণিৰ দৰে পৱিত্ৰ !

•

পছিমত আইন বিধি হৈছে ৰাজ্যৰ ঘাই অধিপতি, পূবত ৰজাৰ ব্যক্তিগত ইচ্ছা ৰাজ্যৰ ঘাই সম্ৰাট্। পছিমত ৰজা আইনৰ অধীন, পূবত আইন ৰজাৰ অধীন।

•

মানৱ জীৱন যিমান কি নিচলা নিঃকিন হওক, তথাপি সি শিক্ষাৰ বিষয়। জীৱন কিৰূপে গঠিত হয়, আৰু বিধতাৰ চৰম প্ৰভুত্ব কি দৰে স্থাপিত হয় তাত আমি জলন্ত দৃষ্টান্ত পাওঁ।

•

ফুল শুকাই যায়, মানুহৰ মানসিক অৱস্থাৰো অৱনতি ঘটে, সৌন্দৰ্য্যৰ বিনাশ হয় আৰু প্ৰেমো ক্ষীণ হৈ আহে, আৰু আমি বয়সৰ লগে লগে মৃত্যুৰ দুৰন্ত প্ৰভাৱ অনুভৱ কৰোঁ ! এনে কি দুপৰৰ সূৰ্য্যও ইমান সোনকালে অস্তগামী হয়।

•

প্ৰেম নোহোৱা জীৱন ৰদ নোহোৱা দিনৰ নিচিনা।

•

অতীত বিষয় লৈ অনুতাপ আৰু ভবিষ্যৎ বিষয় লৈ চিন্তা কৰি জীৱনক জীৰ্ণ কৰা আমাৰ ভুল। কাৰণ, হেজাৰ মূৰ ভুকুৱায়ো আমি অতীতক ওলোটাই আনিব নোৱাৰোঁ, আৰু ভবিষ্যতৰ ওপৰত আমাৰ কোনো অধিকাৰ নাই ;—মাথোন বৰ্ত্তমান হৈছে আমাৰ মুঠিৰ তলত।

•

আমাৰ দুৰন্ত বাসনক সীমাবদ্ধ কৰি, জীৱন যাত্ৰাৰ দুৰ্গমতাক বীৰৰ দৰে পৰাজয় কৰাই প্ৰকৃত জ্ঞানীজনৰ কাম।

•



জীৱিতসকলতকৈ মৃতসকলৰ ওপৰত আমাৰ দয়া স্নেহ বেছি। কাৰণ, যি গ'ল তেওঁ আৰু আহি আমাৰ শত্ৰু গচকি তাক নষ্ট কৰিব নোৱাৰে।

•

বয়স বঢ়াৰ লগে লগে আত্মীয় স্বজন বন্ধু বান্ধৱৰ বিয়োগত আমি অকলশৰীয়া হৈ যেনে কষ্ট অনুভৱ কৰোঁ, তাৰ আগত আন দুখ কষ্ট একেবাৰে সামান্য।

•

প্ৰকৃত সত্যাসত্য বিচাৰ নকৰি অন্ধভাৱে কোনো কথা গ্ৰহণ কৰাতকৈ নিন্দনীয় আন একো হ'ব নোৱাৰে। এজন দাৰ্শনিকে কৈছে,—যি জীৱনত অনুসন্ধানৰ নিমিত্তে অকণো চেষ্টা বা ইচ্ছা নাই সেই জীৱন থকাতকৈ নথকাই ভাল।

•

বছেৰেকীয়া উৎসৱৰ দিনা আনৰ প্ৰাণত আনন্দ নধৰা হয়,—কিন্তু সেইদিনা মোৰ অন্তৰত শোকৰ অৱধি নোহোৱা হয়। নিষ্ঠুৰ কালৰ নিৰ্ম্মম অত্যাচাৰৰ কাহিনী সুঁৱৰি প্ৰাণত ভৈৰৱী ৰাগিনী বাজিবলৈ ধৰে।

•

বাস্তৱ জীৱনত আমাৰ উচ্চ আহি কল্পনা সপোন ছাৰখাৰ হৈ যায়, এনে কি কেতিয়াবা তাৰ ছায়া মাত্ৰও নথকা হয়।

•

নাৰী জাতি স্বভাৱতে অতি কথকী। কিন্তু যেতিয়া দুখ বা আবেগত তেওঁলোকৰ হিয়া ভাগোঁ ভাগোঁ হয় তেতিয়া তেওঁলোকৰ মুখেদি মাত নসৰকা হয়। কথাতে কয় বোলে নাৰীৰ বুকু ফাটে কিন্তু মুখ নুফুটে।

•

পুৰুষে কাচিত হে ক্ষমা কৰিব পাৰে, তিৰুতাই কেতিয়াও নোৱাৰে। কাৰণ সময়ৰ লগে লগে পুৰুষৰ খং ক্ৰোধ ক্ৰমাত পাতলি আহে, কিন্তু নাৰীৰ ক্ৰোধ দুৰ্দ্দমনীয় হয়।

•

নাৰীৰ ব্ৰহ্মাস্ত্ৰ হৈছে চকুলো ; এই এটুপি চকুলো—ইয়াৰ প্ৰভাৱত বিশ্বব্ৰহ্মাণ্ডৰ কক্ষ ভ্ৰষ্ট হব পাৰে।

•

বয়সৰ লগে লগে মই দুটি কথা ভালকৈ বুজিছোঁ,—আমাৰ বাঞ্ছা অভিলাষৰ ব্যৰ্থতা আৰু ভগৱানৰ সৰ্ব্বদৰ্শী প্ৰেমপূৰ্ণ দৃষ্টিপাত।

•

প্ৰেম,—ইয়াত আমাৰ হিয়াৰ সকলো ভাল গুণৰ, বিজুলীৰ দৰে আকস্মিক বিকাশ হৈ উঠে ; এই প্ৰেমৰ স্বৰ্গীয় দৃশ্য অন্তৰাত্মাই জীৱনত মাথোন এবাৰহে দেখা পায়।

•

উদাৰমতি পুৰুষৰ প্ৰধান গুণ হৈছে,—তেওঁলোকে গুণীৰ গুণ বুজি তাক মুক্তকণ্ঠে স্বীকাৰ কৰিবলৈ কাচিতা কোঁচ নেখায়।

•

বাহিৰত থকা শত্ৰুৰ বিৰুদ্ধে আমি হেংডান অস্ত্ৰ লৈ সাজু। কিন্তু অন্তৰত থকা শত্ৰুৰ বিৰুদ্ধে আমি একেবাৰে আওকণীয়া।

•

পুৰুষৰ চৰিত্ৰৰ দুই সীমান্ত হৈছে স্বৰ্গ আৰু মৰ্ত্ত্য ; কিন্তু তিৰোতাৰ চৰিত্ৰত সীমান্ত হৈছে স্বৰ্গ আৰু পতাল

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

---

# আহোম ৰজাৰ বৰ-সবাহ।

আহোম ৰজাৰ দিনত বৰ-সবাহ পতা এটি বৰ জাকজমকৰ কাম আছিল। যি দিন ধৰি বৰ-সবাহৰ যোজা হবলৈ ধৰিলে, সেই দিন ধৰি কামত বৰবৰুৱাৰ গাৰ গোসাঁই ফুটুকাগছত থাকি যায়। থাকিবৰো

‡ Translated from the English of S. Khoda Bux Esq. M. A., B. C. L., (oxon). Barrister-at-Law, with his kind permission.



কথাই, কাৰণ তেওঁৰ গাতেই সবাহৰ গোটেই কাৰ্য্যৰ ভাৰ। গোসাঁই মহন্তসকল আহি সবাহ কৰি থাকিবৰ কাৰণে বাহৰ কৰোৱাৰ কাম হৈছে তেওঁৰ গাত। মাছ, চাউল, কল, পচলা, পাট, পটুৱা, টেঙ্গা, জৰা গোটোৱাৰ কাম হৈছে তেওঁৰ গাত। তাৰ উপৰিও লাগনি-পাচনী, আগত ধৰা গুৰিত ধৰা, প্ৰায় সকলো কামেই তেওঁৰ গাত।

বৰবৰুৱাই এইবিলাক কাৰ্য্য যোজা কৰাৰ লগে লগে চকৰ ধৰা বৰাক, চাৰি-সত্ৰীয়া আউনি-আটী, দক্ষিণপাট, গৰমূৰ, কুৰুৱাবাহীৰ বাপুসকলক নিমন্ত্ৰণ কৰিবলৈ পঠাই দিয়া হয়। চকৰ-ধৰা বৰাবো কাম সিমানেহে, কাৰণ তেওঁ আন মহন্তসকলক নিমন্ত্ৰণ কৰিবলৈ নেযায়, টেকেলা-বেঙেনা আদিকহে পঠায়।

সবাহৰ নিৰূপিত দিনৰ দিনা ৰজাৰ নগৰত ঢোলে-কিৰীলিয়ে গায়নে বায়নে ডুমডুমাবলৈ ধৰে। ইয়াৰ কাৰণ হৈছে সেই নিমন্ত্ৰিত গোসাঁই মহন্তসকল ৰজাৰ বৰসবাহলৈ অহা। আৰু নিশা বৰবৰুৱাদেৱে কৰাই থোৱা ন বাহৰত পুনৰ গায়ন বায়ন, গান, হৰিনাম, হৰিসংকীৰ্ত্তনৰ ৰোলত আন কি পোটাশালৰ বন্দীয়েও নিজৰ দাসত্ব পাহৰি আনন্দত বিভোৰ হয় ; ৰজা আৰু আন প্ৰজাবৰ্গৰ তো কথাই নাই। তেতিয়া ৰজাৰ বৰসবাহ, এতিয়াৰ দুৰ্গাপূজাতকৈও এপাতী চৰা বুলিলে বঢ়াই কোৱা নহয়। প্ৰজাৰ সমাগম, গোসাঁই মহন্তসকলৰ আগমন. আজিকালিৰ দুৰ্গাপূজাৰ নিচিনাই।

এই বৰসবাহত গোসাঁই মহন্তসকল বাহৰত থাকোঁতে তেওঁলোকৰ মানৰ মতে থাকে। আৰু ইয়াত আউনি-আটীয়েই সৰ্ব্ব প্ৰধান। তেৱেঁই বাহৰৰ পূৰফালে অৰ্থাৎ সকলোতকৈ আগত, ৰজাক সবাহৰ নিৰ্ম্মালি দিওঁতে সকলোতকৈ আগত। চাৰি-সত্ৰীয়া গোসাঁইসকলে যেনেকৈ ৰজাক নিৰ্ম্মালি মূৰত দিব পাৰে, তেনেকৈ আন অস্পৃষ্ট পীয়া মহন্তসকলে নোৱাৰে। তেওঁলোকে ৰজাক নিৰ্ম্মালি হাতত বা শৰাইত সজাই আগত বা আঁতৰত থি আশীৰ্ব্বাদ কৰে।

ইয়াৰ পাচতে আৰু এটি কথা জানিব লগা আছে। বাহৰত থাকোতে সকলোতকৈ আগত আউনিআটীয়া, তেওঁৰ পিছত দক্ষিণ

পটীয়া, তেওঁৰ পিছত গৰমুৰীয়া, তেওঁৰ পিছত কুৰুৱাবহীয়া আৰু তেওঁৰ পিছত আন মহন্তসকল থাকিব পাৰে। এই বাহৰত থকা নিয়মেৰেই গোসাঁই মহন্তসকলে ৰজাক নিৰ্ম্মালি দিয়ে। যেনে প্ৰথমে আউনি-আটী। চাৰি-সত্ৰীয়া অধিকাৰসকলে ৰজাৰওচৰত কলাপাতৰ ওপৰত বগা থন্ম পাৰি বহে। কিন্তু আন মহন্তসকলে তেওঁলোকৰ মৰ্য্যাদা চাই জুৰীধা বা থনীয়া কলাপাতত বহে।

এই সবাহত পৰ্ব্বতীয়া গোসাঁই প্ৰভৃতি ভট্টাচাৰ্য্যসকলৰ কোনো ভাগ নাই। গৌৰীনাথ ৰজাৰ দিনত এই সভাত ভাগ লবৰ কাৰণে পহ মৰীয়া গোসাঁয়ে বৰ চেষ্টা কৰিছিল; কিন্তু তেওঁৰ সেই চেষ্টা বিফল হল।

শ্ৰীতোপনচন্দ্ৰ দাস।

---

# গদ্য-কবিতা।*

## শেষ দেখা।

আমি দুয়ো এসময়ত বৰ গলে-নলে লগা বন্ধু আছিলোঁ। কিন্তু কি কুক্ষণত আমাৰ দুয়োৰো মাজত দন্দ লাগিল......আৰু শেষত লগ এৰাএৰি হ'ল।

বহুত বছৰ পাৰ হৈ গল, এদিন তেওঁ থকা ঠাইখনলৈ আহি শুনিলোঁ যে তেওঁৰ বৰ টান নৰীয়া মোক চাব খুজিছে। মই একেবাৰে তেওঁৰ গোটালীত থিয় হলোঁ গৈ।—আমাৰ চকুৱে চকুৱে দেখাদেখি হল।

মই তেওঁক কষ্টমপিহে চিনিব পাৰিলোঁ। হৰি, হৰি! তেওঁক বেমাৰে কেনে কৰিলে! তেওঁৰ গাত এটুপিও তেজ নাই, বৰণ শেতা, গাৰ হাৰ ছাল ওলাল আৰু মূৰৰ চুলি প্ৰায়খিনিয়েই সৰি গ'ল। তেওঁৰ গাত মাথোন এখন চেলেং আছে—তেওঁ এতিয়া এখন সামান্য চেলেং কাপেৰবো ভৰ সহিব নোৱাৰা হ'ল।

*Tourgenev--অৰ ছাঁ লৈ লিখা।



তেঁও কোনোমতে হাৰ-ছাল লগা শুকান হাতখন মোৰ ফালে আগবঢ়াই দিলে আৰু মুখৰ ভিতৰতে কি দুআবাৰমান কথা কলে, ভালেই নে বেয়া মই বুজিব নোৱাৰিলোঁ।...তেওঁৰ সোমোৱা চকুৰপৰা দুধাৰি চকুলো গালেদি বৈ গল আৰু তেওঁ ঘনে ঘনে উশাহ লবলৈ ধৰিলে।

মই এনে শোক লগা দৃশ্য দেখি থিয় হৈ থাকিব নোৱাৰিলোঁ,......তাতে বহি পৰিলোঁ, মোৰ হাত ভৰি কঁপিবলৈ ধৰিলে, এনে বেজাৰৰ ছবিৰ আগত দুনাই চকু মেলিব নোৱাৰি মই তেওঁৰ ফালে মোৰ হাতখন আগ বঢ়াই দিলোঁ।

কিন্তু মোৰ মনত হল যেন সেইখন তেওঁৰ হাত নহয়, অইন এখন হাতেহে মোৰ হাতখন ধৰিলে।

আমাৰ দুয়োৰো মাজত বগা সাজ পিন্ধি যেন কোনোবা এজনী মাইকী মানুহ থিয় হৈ আছে। সাজটোৱে তাইক মূৰৰপৰা ভৰিলৈকে ঢাকি থৈছে।......তাই এটা কঠোৰ উদাস দৃষ্টি শূন্যৰ ফালে এৰি দিছে... মুখৰপৰা এটাও মাত ওলোৱা নাই......অইন কি ওঁঠ দুটাও লৰা নাই।

এই মানুহজনীয়েই আমাৰ দুইখন হাত একে লগ কৰি দিলে।...... তায়েই আমাৰ ভিতৰত চিৰকাললৈ মিলন ঘটালে। সঁচা কথা– মৃত্যুয়েই

## মগনিয়াৰ।

আমাৰ মিলন ঘটালে। মই বাটেদি গৈ আছিলোঁ...এটা বুঢ়া বেমাৰী হাৰ-ছাল ওলোৱা মগনিয়াৰ আহি মোৰ ওচৰত থিয় হলহি।

তাৰ ওঁঠ শেতা, চকু দুটা ৰঙা আৰু গাত ফটা কাপোৰ...হৰি হৰি! সি দুখত পৰি কেনেকুৱা হৈছে—চকুৰ আগতে দৰিদ্ৰতাৰ কেনে অলস্ত শোক লগা দৃশ্য!

সি সেই উপ ! অপৰিষ্কাৰ হাতখন মেলি মোক সহায় খুজিলে।

মই চোলাৰ মোনাত হাত সুমাই একোকে নেপালোঁ।...টকা নাই, ঘৰী নাই, অইন কি এখন উৰ্মালো নাই। মই মোৰ লগত একোকে অনা নাছিলোঁ। মগনিয়াৰটোৱে তেতিয়াও মোৰ ওচৰতে হাত পাতি থিয় হৈ আছে।...... আৰু তাৰ দুৰ্ব্বল শৰীৰ কঁপিবলৈ ধৰিছে।

মই এনে দৰে থাকিব নোৱাৰি লৰালৰিকৈ তাৰ হাত দুখন সাবটি ধৰিলোঁ।......আৰু কলোঁ "ককাই, মোৰ ওপৰত খং নকৰিবা, মোৰ হাতত একোৱেই নাই।"

মগনিয়াৰটোৱে আচৰিত হৈ মোৰ ফালে এবাৰ চালে......শেতা ওঁঠ দুটাৰে অলপ হাঁহিলে...... আৰু সিও মোৰ হাত দুখন ধৰি অতি কষ্টে মাত লগালে "কি হ'ল, একো কথা নাই......ইয়াৰ কাৰণেও অশেষ ধন্যবাদ......ইও যে এটা দান।"

মইও বুজিলোঁ যে মোৰ এজন লগৰীয়াৰপৰা মইও এটা দান পালোঁ।

## কথাবাৰ্ত্তা।

ওখ ওখ পৰ্ব্বতৰ শাৰী পৃথিবীৰ বুকু ফালি গগন ভেদিবলৈ উঠিছে, যেনিয়েই চোৱা তেনিয়েই শিলাময় পৰ্ব্বত......মানুহৰ ভৰিৰ চিন এতিয়াও ইহঁতৰ বুকুত পৰাহি নাই।

পৰ্ব্বতবোৰ হিমেৰে ঢকা ; সদায় কন্‌কনীয়া শীতল বতাহ বৈ আছে, ওপৰত অনন্ত নীৰৱ নীল আকাশ, তলত এক বিস্তীৰ্ণ শুভ্ৰ বৰফৰ ৰাজ্য।

দুফালে দুটা ওখ প্ৰকাণ্ড পৰ্ব্বতৰ টিং ৰাক্ষসৰ দৰে থিয় হৈ আছে।

এটাই আনটোক সুধিলে "ককাই, নতুন বাতৰি কি আছে ? তুমি মোতকৈ ভালকৈ দেখিবলৈ পোৱাঁ, কোৱাঁচোন তলত নো কি হৈছে ?"

কত হাজাৰ হাজাৰ বছৰ পাৰ হৈ গল; এক মিনিট। আনটোৱে তেতিয়া



উত্তৰ দিলে "গোটেইখন পৃথিবী ডাৱৰেৰে ঢকা.. .....অনুপমান ৰব।"

হাজাৰ হাজাৰ বছৰ পাৰ হৈ গল ; এক মিনিট। আকৌ আগৰটোৱে সুধিলে "এতিয়া কেনে ?" "এতিয়াও আগৰ দৰেই আছে, সাগৰ, পৰ্ব্বত, হাবি বননি সকলো একেই আছে।.........তাৰ মাজত অকণ অকণ দুঠেঙীয়া পোক কিছুমানে চটফটাই লৰি ফুৰিছে,— ইফালে গৈছে এবাৰ, সিফালে গৈছে এবাৰ; সিইতে এতিয়াও আমাৰ কাষ চাপিব পৰা নাই।"

"মানুহৰ কথা কৈছানে কি ?"

"এৰা মানুহৰ কথাকে কৈছোঁ।"

হাজাৰ হাজাৰ বছৰ পাৰ হৈ গল ; এক মিনিট। ইটোৱে আকৌ সুধিলে "তাৰ পাছত এতিয়া ?" আনটোৱে উত্তৰ দিলে "সেই পোক-বোৰ অলপ কমিছে, তলখন অলপ মুকলি হৈছে, পানীও শুকাইছে আৰু হাবিও লাহে লাহে নাইকিয়া হৈ গৈছে।" আকৌ হাজাৰ হাজাৰ বছৰ পাৰ হৈ গল ; এক মিনিট। "এতিয়া কি দেখিছা ?"

আনটোৱে উত্তৰ দিলে "আমাৰ তলৰ ঠাই গোটেইখন মুকলি, কিন্তু দূৰৈত এতিয়াও অলপ কলা কলা চিন আছে আৰু সেদোন কিবাকিবি কিছুমান লৰি ফুৰিছে।" হাজাৰ হাজাৰ বছৰ পাৰ হৈ গল ; এক মিনিট। "এতিয়া কেনে দেখিছা" বুলি আনটোৱে মাত লগালে। সিটোৱে উত্তৰ দিলে "এতিয়া গোটেইখন মুকলি, কতো একোৱেই চিন নাই, চাৰিও ফালে বৰফৰ ৰাজ্য......সকলো নিমাত নিস্তব্ধ।"

ইটোৱে তেতিয়া মাত লগালে "ভাল কথা, কিন্তু ককাই, আমি দুয়ো বহুত বেলি কথা পাতিলোঁ, আহাঁ, এতিয়া অলপ শোঁও।" "এৰা এতিয়া শোৱা যঁক।" ওখ ওখ পৰ্ব্বতে শুলে, অনন্ত নীল আকাশে শুলে,......অসীম বিশ্বই নিতাল মাৰি শুলে, জগত নিস্তব্ধ ....প্ৰকৃতি নীৰৱ।

## কাইলৈ।

আমাৰ প্ৰায়েই প্ৰত্যেক যোৱা দিনবোৰ কেনে অলাগতিয়াল কামত মিছাকৈয়ে নষ্ট হৈছে, সময়-যাপিত ইহঁতে কিবা অলপো চিন থব পাৰিছেনে? যাথোন জীৱনৰ ঘৰ শূন্যেৰেই পুৰাই দিনৰ পাছত দিন গৈয়ে আছে।

তথাপি মানুহে জীয়াই থাকিবলৈ ইচ্ছা কৰে, তেও জীৱনক বৰ মৰম কৰে, বৰ ভাল পায় আৰু বুকুত আশা বান্ধি ভৱিষ্যতৰ ফালে চাই থাকে.........মনে মনে ভৱিষ্যত-পটত কত ধুনীয়া ধুনীয়া সুখৰ ছবি আঁকিবলৈ ধৰে।

কিন্তু কিয়নো তেঁও অহা দিনবিলাক তেঁওৰ যোৱা দিনবিলাকৰ দৰে নহব বুলি আশা কৰে? তেঁও তাৰ বিপৰীত ভাবিবলৈ ভাল নেপায়, অইন কি তেনে ভাবক মনলৈকো আনিব নোখোজে, "কাইলে, কাইলৈ" বুলি তেঁও নিজকে নিজেই সান্ত্বনা দিয়ে আৰু এই দৰেই প্ৰত্যেক "কাইলৈ" আহি তেঁওক দিনে দিনে মৰণৰ ফালে আগবঢ়াই নি থাকে। আৰু যেতিয়া মৰণ আহে, সকলো শেষ হয়, জীৱনৰ নাটলীলাৰ অৱসান হয়, বাছনিবো অন্ত হয়, ভাবনাবো শেষ হয়। শেষ.........সব শেষ।

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

---

## অকণ

সৰু লৰা ছোৱালীৰ নিমিত্তে সচিত্ৰ মাহেকীয়া কাকত। সম্পাদক আমাৰ শ্ৰীযুত হেমচন্দ্ৰ গোসাঞীদেৱ। দুসংখ্যা ওলাইছে। ২য় সংখ্যা ১ম সংখ্যাতকৈও ভাল হৈছে। "অকণৰ" ভাল দেখিলে আমাৰ ঘৰৰ অকণবে ভাল দেখা যেন লাগিব। ঈশ্বৰে "অকণৰ' ভাল কৰক।

---